Sacn to Donate
NEWSNEXTONE.COM

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

FRIDAY, DECEMBER 27, 2024 ■ শুকুৰবাৰ, ১১ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২ Guwahati, Assam ।। মূল্যঃ এটকা

### চান্দা লাভৰ ক্ষেত্ৰত বিআৰএছ দ্বিতীয় স্থানত, তৃতীয় স্থানত আছে কংগ্ৰেছ

# নিৰ্বাচনী চান্দাৰে পুনৰ অভিলেখ ৰচিছে বিজেপিয়ে

**নতুন দিল্লী, ২৬ ডিচেম্বৰঃ** বিশ্বৰ আটাইতকৈ ধনী ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিয়ে বৰঙণি সংগ্ৰহত পুনৰ এবাৰ সৃষ্টি কৰিলে অভিলেখ।



নিৰ্বাচন আয়োগৰ প্ৰতিবেদন অনুসৰি, ২০২৩-২৪ বৰ্ষত বিশ হাজাৰ টকাৰ ওপৰত প্ৰদান কৰা দাতাৰ পৰা ২,২৪৪ কোটি টকাৰ শেষাংশ ৩ পৃষ্ঠাত

## তিব্বতত বৃহৎ নদীবান্ধৰ কাম আৰম্ভ চুবুৰীয়া চীনৰ

**ই-সংবাদ বিশেষ, ২৬ ডিচেম্বৰঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বৰ উদ্বিগ্নতা বৃদ্ধি কৰি তিব্বতত বিশ্বৰ সৰ্ববৃহৎ জলবিদ্যুৎ বান্ধ নিৰ্মাণৰ শেষাংশ ২ পৃষ্ঠাত

### ৯২ বছৰ বয়সত দিল্লীৰ এইমছত শেষ নিশ্বাস ত্যাগ

# নীৰৱে দেশক গঢ় দি গ'লগৈ মনমোহন সিং



## আজি ঘোষিত হ'ব ৰাষ্ট্ৰীয় শোক

**ই-সংবাদ বিশেষ, ২৬ ডিচেম্বৰঃ** ভাৰতৰ অৰ্থনৈতিক উদাৰীকৰণৰ পিতৃস্বৰূপ প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিং আৰু নাই। ৫ পৃষ্ঠাত

## যুদ্ধবিধ্বস্ত গাজাত পুনৰ নিহত সাংবাদিক



**তেল আভিভ, ২৬ ডিচেম্বৰঃ** যুদ্ধবিধ্বস্ত গাজাত খবৰৰ সন্ধান কৰি পুনৰ মৃত্যুক সাবতি ল'লে পাঁচ গৰাকীকৈ সাংবাদিকে। দক্ষিণ ৩ পৃষ্ঠাত চাওক

## সুব্ৰত তাঁতীৰ হত্যা, তিনিজনৰ আত্মসমৰ্পণ

**ই-সংবাদ, ডুমডুমা, ২৬ ডিচেম্বৰঃ** ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ অন্তৰ্গত দুৱাৰমৰা-কাকজান সংৰক্ষিত শেষাংশ ৪ পৃষ্ঠাত

## মন্ত্ৰী হৈয়েই বিপদত প্ৰশান্ত!

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাত বিজেপিৰ মধ্যমণ্ডল সমিতিৰ সভাপতি শেষাংশ ৬ পৃষ্ঠাত




## মধ্যৰাতি অসুস্থ সাংসদ ফণীভূষণ

**ই-সংবাদ, ২৬ ডিচেম্বৰঃ** হাস্পতালত ভৰ্তি কৰা হৈছে বৰপেটা লোকসভা সমষ্টিৰ সাংসদ শেষাংশ ৩ পৃষ্ঠাত

### লাষ্টগেটত প্ৰেয়সীক হত্যা কৰি আত্মহত্যাৰ চেষ্টা

# সম্পৰ্কজনিত সংঘাত! ছুৰিকাঘাতত প্ৰাণ গ'ল যুৱতীৰ





## চিকিৎসাধীন হত্যাকাৰী

**ই-সংবাদ, ২৬ ডিচেম্বৰঃ** বৃহস্পতিবাৰৰ পুৱা। খ্ৰীষ্টমাছৰ ছুটিৰ পিছত পুনৰ আৰম্ভ হৈছিল জীৱনৰ ব্যস্ততা। পুৱা কৰ্মক্ষেত্ৰলৈ ওলাই আহি শেষাংশ ২ পৃষ্ঠাত

### মোৰাঝাৰত দাবী লুৰীণৰ

# আজমলে হিমন্তৰ অনুমতি লৈ উশাহ লয়!




**ই-সংবাদ, মোৰাঝাৰ, ২৬ ডিচেম্বৰঃ** অসমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভিক্ষাৰীৰ চৰকাৰ চলাই আছে। ভিক্ষাৰীৰ চৰকাৰে মুখ্য ৩ পৃষ্ঠাত চাওক

## অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা য়েছে দৰজেলৈ

### খানাপাৰাত আজিৰে পৰা গ্ৰন্থমেলা

**গুৱাহাটী, ২৬ ডিচেম্বৰঃ** বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকক প্ৰদান কৰি অহা সন্মানীয় 'অসম প্ৰকাশন পৰিষদ শেষাংশ ৬ পৃষ্ঠাত



### 'বীৰ বাল' বুলি আকবৰ-বীৰবলক পূজিলে প্ৰদানে

# মোগলৰ ভক্তিত গদগদ লখিমপুৰৰ বিজেপি সাংসদ!



**ই-সংবাদ, ২৬ ডিচেম্বৰঃ** মোগল বিদ্বেষ তথা ঘৃণা কৰি কথা নক'লে পেটলৈ ভাত নাযায় বিজেপিৰ নেতাৰ। মোগলৰ ৬ পৃষ্ঠাত চাওক

## ক্ৰমাৎ স্পষ্ট বিৰোধী 'ইণ্ডিয়া'ৰ আঁৰৰ সংঘাত

**নতুন দিল্লী, ২৬ ডিচেম্বৰঃ** ক্ৰমাৎ ফাট মেলিছে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ত। এইবাৰ কংগ্ৰেছ দলৰ বিৰুদ্ধে থিয় হোৱা দেখা গ'ল অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিব্বতত বৃহৎ নদীবান্ধৰ কাম আৰম্ভ

পৰিকল্পনাক বাস্তৱ ৰূপ দিবলৈ ওলাইছে চীনে। তিব্বতৰ ব্ৰহ্মপুত্ৰ নদীত এই বান্ধটো নিৰ্মাণৰ পৰিকল্পনাত ইতিমধ্যে অনুমোদন জনাইছে চীনে। উল্লেখ্য যে, নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পই আঞ্চলিক ক্ষেত্ৰৰ লগতে বিশ্ব শক্তিৰ পৰিসৰতো বিপুল প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে। ১৩৭ বিলিয়ন ডলাৰ ব্যয় হ'বলগীয়া চীনৰ এই প্ৰকল্পটো ইমানেই বৃহৎ যে ই বিশ্বৰ আন আন্তঃগাঁথনি প্ৰকল্পতকৈও ডাঙৰ হ'ব, আনকি চীনৰ থ্ৰী গৰ্জ বান্ধকো অতিক্ৰম কৰিব। ভাৰতৰ অৰুণাচল প্ৰদেশত ব্ৰহ্মপুত্ৰ নদী বৈ যোৱা তিব্বতৰ য়ালুং জাংবো নদীৰ তলৰ অংশত নিৰ্মাণ কৰা হ'ব এই বান্ধটো। এই প্ৰকল্পৰ জৰিয়তে চীনে জলবিদ্যুৎ উৎপাদন বহু পৰিমাণে উন্নত কৰাৰ লগতে দেশৰ আভ্যন্তৰীণ নিৰাপত্তা আৰু আঞ্চলিক শক্তি বৃদ্ধিৰ বাবে কাম কৰিব। কিন্তু ভাৰত, বাংলাদেশ, আৰু দক্ষিণ এছিয়াৰ অন্যান্য দেশসমূহে এই বৃহৎ নদীবান্ধৰ প্ৰভাৱক লৈ উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখ্য যে, এই বান্ধৰ জৰিয়তে চীনে ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ প্ৰবাহৰ ওপৰত কৌশলগত নিয়ন্ত্ৰণ স্থাপন কৰিবলৈ সক্ষম হ'ব, যাৰ ফলত ভাৰত, বাংলাদেশকে ধৰি চুবুৰীয়া দেশসমূহৰ বাবে নতুন প্ৰত্যাহ্বানৰ সৃষ্টি হোৱাৰ আশংকা কৰা হৈছে। লক্ষণীয় যে, এই নদীবান্ধৰ সৰ্বাধিক প্ৰভাৱ পৰিব অসমকে ধৰি উত্তৰ-পূবৰ ভাৰতৰ ওপৰত। ব্ৰহ্মপুত্ৰৰ পানীৰ ওপৰত নিৰ্ভৰশীল ৰাজ্যসমূহলৈ এই বান্ধে দুৰ্যোগ কঢ়িয়াই অনাৰ আশংকা কৰা হৈছে। এই বান্ধ নিৰ্মাণৰ ফলত ভাৰতৰ সীমান্ত অঞ্চলত পানীৰ প্ৰবাহ নিয়ন্ত্ৰণ, বান পৰিস্থিতি, সামৰিক সংঘাতৰ ক্ষেত্ৰত বৃহৎ পৰিৱৰ্তন হ'ব বুলি শংকা ব্যক্ত কৰিছে বহুতে। ইফালে, চীন চৰকাৰে এই বান্ধস্থলীটো ভূমিকম্প প্ৰৱণ অঞ্চলত অৱস্থিত বুলি জানিবলৈ দিয়ে, যাৰ বাবে এই প্ৰকল্প নিৰ্মাণৰ বাবে বিশেষ প্ৰযুক্তি আৰু ভূতাত্ত্বিক বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে দেশখনে। ২০২৩ চনৰ এক মূল্যায়ন অনুসৰি এই বান্ধটোৱে বছৰি ৩০০ বিলিয়ন কিলোৱাট- প্ৰতি ঘণ্টা বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হ'ব, যাৰ ফলত ৩০ কোটি লোকৰ বাৰ্ষিক বিদ্যুতৰ প্ৰয়োজনীয়তা পূৰণ হ'ব। কিন্তু ভূমিকম্প, ভূমিস্খলন, আৰু অন্যান্য পৰিৱেশগত সমস্যাই নিৰ্মাণ কামত বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব বুলি সম্ভাৱনা ব্যক্ত কৰা হৈছে। ইয়াৰ উপৰিও প্ৰকল্পটোৰ বাবে এই বান্ধটো নিৰ্মাণৰ বাবে চাৰিৰ পৰা ছটা সুৰংগ খান্দিব লাগিব, যাৰ প্ৰতিটো সুৰংগ প্ৰায় ২০ কিলোমিটাৰ দীঘল হ'ব। এই প্ৰকল্পৰ জৰিয়তে চীনে বাৰ্ষিক প্ৰায় ২০ বিলিয়ন ইউয়ান অৰ্থাৎ ৩ বিলিয়ন ডলাৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিব, যাৰ ফলত তিব্বত অঞ্চলৰ অৰ্থনীতি আৰু অধিক শক্তিশালী হ'ব। অন্যহাতে চীনৰ এই প্ৰকল্পই সীমান্ত অঞ্চলৰ নিৰাপত্তা পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিব পাৰে। ভাৰতৰ সীমান্তৰ সমীপত পানীৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতাই চীনক কৌশলগত সুবিধা দিব পাৰে, যাৰ ফলত পিছলৈ সামৰিক আৰু কূটনৈতিক সমস্যাৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ ফলত ভাৰতৰ পূব নিৰাপত্তা পৰ্যালোচনা আৰু চীনৰ সৈতে সম্পৰ্কত গুৰুতৰ প্ৰভাৱ পৰিব পাৰে। চীনৰ এই বান্ধ প্ৰকল্পৰ প্ৰভাৱক লৈ ভাৰতে ইতিমধ্যে উদ্বেগ প্ৰকাশ কৰিছে। ২০০৬ চনত চীন আৰু ভাৰতে এক্সপাৰ্ট লেভেল মেকানিজম (ইএলএম) স্থাপন কৰিছিল, যাৰ জৰিয়তে চীনে প্ৰতি বছৰে বানপানীৰ সময়ত ভাৰতক ব্ৰহ্মপুত্ৰ নদীৰ জলবিজ্ঞানৰ তথ্য প্ৰদান কৰি আহিছে। কিন্তু চীনৰ এই বিশাল প্ৰকল্পটো কাৰ্যকৰী হ'লে ভাৰতৰ বাবে ই এক বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সম্পৰ্কজনিত সংঘাত! ছুৰীকাঘাতত প্ৰাণ

পথৰ দাঁতিত বুক কৰা ৰেপিড'খনৰ বাবে ৰৈ আছিল মৌচুমী। ঠিক তেনেতেই এখন বগা ৰঙৰ ছুইফ্ট ডিজায়াৰ আহি কাষত ৰয় ২৮ বৰ্ষীয় যুৱতীগৰাকীৰ। ইয়াৰ পিছত গাড়ীৰ চালকৰ আসনৰ পৰা নামি আহে এজন ব্যক্তি, হাতত এখন ছুৰী! মৌচুমীয়ে চিনাকি মুখখনৰ আঁৰৰ কু-অভিসন্ধি বুজি পোৱাৰ পূৰ্বেই ৰক্তাক্ত হৈ পৰে তেওঁৰ শৰীৰ। ছুৰীকাঘাতত গুৰুতৰভাৱে আহত যুৱতীগৰাকীক লগে লগে হাস্পতাললৈ লৈ যোৱা হয় যদিও চিকিৎসা লাভৰ পূৰ্বেই মৃত্যু ঘটে তেওঁৰ। খ্ৰীষ্টমাছৰ পিছদিনা অৰ্থাৎ বৃহস্পতিবাৰে গুৱাহাটী মহানগৰীত সংঘটিত এনে এক লোমহৰ্ষক হত্যাকাণ্ডই সৰ্বত্ৰে সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। পুৱা ৰেপিড'ৰ বাবে অপেক্ষা কৰি থকাৰ সময়তে লাষ্টগেটৰ নাহৰণি পথৰ ১৪নং বাসগৃহৰ সন্মুখত ভূপেন দাস নামৰ এজন ব্যক্তিয়ে ছুৰীকাঘাত কৰি নৃশংসভাৱে হত্যা কৰে মৌচুমী গগৈ নামৰ যুৱতীগৰাকীক। গুৱাহাটীৰ এটা এন জি অ'ৰ সৈতে জড়িত হৈ স্বাস্থ্য সেৱা কৰ্মচাৰী হিচাপে কাম কৰি থকা যুৱতীগৰাকীয়ে বিগত এমাহ ধৰি নাহৰণি পথতে ভাড়াতীয়া হিচাপে বাস কৰি আহিছিল। ইফালে, যুৱতীগৰাকীক হত্যা কৰাৰ পাছত নিজেও আত্মহত্যাৰ চেষ্টা চলায় ভূপেন দাস নামৰ যুৱকজনে। বৰ্তমান তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। হত্যাকাৰী ভূপেনৰ ঘৰ নলবাৰী জিলাৰ সৰিয়হতলীৰ মালাকৰ চুবুৰীত। পেছাত এজন গাড়ী চালক লোকজনে বিগত কেইবাবছৰো ধৰি গুৱাহাটীত পত্নী আৰু দুই কন্যাসহ বাস কৰি আহিছে। জানিব পৰা মতে, বিগত প্ৰায় দুবছৰ ধৰি মৌচুমীৰ সৈতে প্ৰেমৰ সম্পৰ্ক আছিল ভূপেন দাসৰ। কিন্তু ভূপেন যে বিবাহিত সেই কথা জনা নাছিল মৌচুমীয়ে। টিংখঙৰ ৩নং কপহুৱা গাঁও নিবাসী মৌচুমীৰ পিতৃ প্ৰফুল্ল গগৈ। শৈশৱতে মাতৃহাৰা হৈছিল মৌচুমী। খবৰ অনুসৰি, পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা মৌচুমীৰ স্বামীৰ এক দুৰ্ঘটনাত মৃত্যু ঘটিছিল। ইয়াৰ পিছতে স্বামীগৃহৰ নিৰ্যাতন সহিব নোৱাৰি মাতৃগৃহলৈ ঘূৰি আহিছিল তেওঁ। বিবাহসূত্ৰে দুটি সন্তানৰ মাতৃ আছিল মৌচুমী। জানিব পৰা মতে, এটি সন্তান এবছৰ পূৰ্বে ব্ৰেইন টিউমাৰ হৈ ঢুকাইছিল। ইয়াৰ পিছতে নিজৰ ৮ বছৰীয়া সন্তানটোক লগত লৈ গুৱাহাটীত থাকিবলৈ লৈছিল মৌচুমীয়ে। প্ৰায় দুবছৰ পূৰ্বে গুৱাহাটীতে গাড়ী চালক ভূপেন দাসৰ সৈতে পৰিচয় ঘটিছিল মৌচুমীৰ। লাহে লাহে তেওঁলোকৰ মাজত গঢ় লৈ উঠিছিল প্ৰেমৰ সম্পৰ্ক। এবাৰ বিহুত মৌচুমীহঁতৰ ঘৰলৈ ফুৰিবলৈও গৈছিল ভূপেন দাস। কিন্তু তেতিয়ালৈকে ভূপেন বিবাহিত বুলি জনা নাছিল তেওঁ। কিন্তু এই বিষয়ে যেতিয়াই তেওঁ জানিব পাৰিলে, তাৰ পিছতে ভূপেনৰ সৈতে দূৰত্ব বজাই ৰাখিবলৈ আৰম্ভ কৰে মৌচুমী গগৈয়ে। কিন্তু এয়া যেন সহ্য কৰিব পৰা নাছিল ভূপেনে। তেওঁ প্ৰায়ে মৌচুমীক ফোন কৰি আমনি কৰাৰ লগতে যুৱতীগৰাকীৰ ভাড়াঘৰৰ সন্মুখত ঘণ্টাৰ পিছত ঘণ্টাধৰি ৰৈ থাকিছিল। আনকি নিজকে শেষ কৰি দিয়াৰো ভাবুকি দিছিল ভূপেন দাসে। এনে কাৰণতে প্ৰায় এমাহ পূৰ্বে যুৱকজনৰ বিৰুদ্ধে এজাহাৰো দাখিল কৰিছিল মৌচুমী গগৈয়ে। ইফালে বুধবাৰে ভূপেনে কামাখ্যালৈ ভাড়া লৈ যাম বুলি ভাড়ালৈ আনিছিল দীপ ভড়ালী নামৰ এজন লোকৰ ছুইফ্ট ডিজায়াৰ বাহনখন। সেই গাড়ীখন লৈয়ে শুকুৰবাৰে পৰিতৰালৈও যোৱাৰ কথা আছিল তেওঁ। জানিব পৰা মতে, খ্ৰীষ্টমাছৰ দিনটোত সন্ধিয়া ৫ বজাৰ পৰা ৮.৩০ বজালৈ একেলগে আছিল ভূপেন দাস আৰু মৌচুমী গগৈ। বুজাপৰাৰ মাজেৰে মৌচুমীয়ে তৰা গোচৰ বৃহস্পতিবাৰে উঠাই লোৱাৰো কথা আছিল। কিন্তু ইয়াৰ পূৰ্বেই পুৱা মৌচুমীক হানি খুচি হত্যা কৰি নিজেও চোকা অস্ত্ৰৰে আত্মহত্যাৰ চেষ্টা চলায় ভূপেন দাসে। বৰ্তমান জিএমচিএইচত চিকিৎসাধীন ভূপেনৰ পাৰ্চত উদ্ধাৰ হৈছে মৌচুমীৰ প্ৰায় ২০ খন ফটো। মহানগৰীৰ মাজমজিয়াত দিনৰ পোহৰতে সংঘটিত এই চাঞ্চল্যকৰ হত্যাকাণ্ডই এতিয়া আতংকিত কৰিছে সাধাৰণ নাগৰিকক। মহানগৰীত মহিলাৰ সুৰক্ষাক লৈও এতিয়া নানান প্ৰশ্নৰ উত্থাপন হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনী চান্দাৰে পুনৰ অভিলেখ ৰচিছে

অনুদান লাভ কৰিছে বিজেপিয়ে। উল্লেখ্য যে, ২০২২-২৩ বৰ্ষত বিজেপিয়ে লাভ কৰা অনুদানৰ পৰিমাণ আছিল কেৱল ৭৮৫ কোটি। কিন্তু শেহতীয়া লোকসভা নিৰ্বাচনত পুনৰ এবাৰ বিজেপি ক্ষমতালৈ অহাৰ পিছতে ২০২৩-২৪ বৰ্ষত ৮গুণ বৃদ্ধি পাইছে চান্দাৰ পৰিমাণ। কিন্তু লক্ষণীয়ভাৱে এই বৰ্ষটোত বিজেপিৰ অনুদান বৃদ্ধিৰ বিপৰীতে যথেষ্ট হ্ৰাস পাইছে কংগ্ৰেছে লাভ কৰা অনুদান। ২০২২-২৩ বৰ্ষত ৭৯.৯ কোটি টকাৰ তুলনাত ২০২৩-২৪ বৰ্ষত কংগ্ৰেছে ২৮৯ কোটি টকাহে অনুদান হিচাপে লাভ কৰিছে। নিৰ্বাচন আয়োগৰ প্ৰতিবেদনৰ তথ্য অনুসৰি বিজেপিয়ে এই বছৰ কংগ্ৰেছৰ তুলনাত ৭৭৬.৮২ শতাংশ অধিক অনুদান সংগ্ৰহ কৰিছে। ইফালে এই বছৰ বিজেপিক ৭২৩ কোটি আৰু কংগ্ৰেছক ১৫৬ কোটি টকা প্ৰদান কৰি সৰ্বাধিক দাতা হিচাপে পৰিগণিত হৈছে প্ৰুডেণ্ট ইলেক্টৰেল ট্ৰাষ্ট। বিজেপি আৰু কংগ্ৰেছৰ উপৰিও প্ৰুডেণ্ট ইলেক্টৰেল ট্ৰাষ্টে ২০২৩-২৪ বৰ্ষত ভাৰত ৰাষ্ট্ৰ সমিতি (বিআৰএছ) আৰু যশপাল ৰেড্ডীৰ ৰাই এছ আৰ কংগ্ৰেছ পাৰ্টিলৈ আগবঢ়াইছে ক্ৰমে ৮৫ কোটি আৰু ৬২.৫ কোটি টকাৰ অনুদান। উল্লেখ্য যে, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশত অনুষ্ঠিত নিৰ্বাচনত এইবাৰ ক্ষমতা হেৰুৱাবলগীয়া হৈছিল এই দুয়োটা দলেই। প্ৰতিবেদন অনুসৰি, ২০২৩-২৪ বৰ্ষত আন ৰাজনৈতিক দললৈও অনুদান সামান্য বৃদ্ধি পাইছে। আম আদমী পাৰ্টিয়ে ২০২৩-২৪ বৰ্ষত ১১.১ কোটি টকাৰ অনুদান লাভ কৰাৰ বিপৰীতে পূৰ্বৰ বছৰত ৩৭.১ কোটি টকাৰ অনুদান লাভ কৰিছিল। ২০২২-২৩ বৰ্ষত ৬.১ কোটি টকাৰ তুলনাত ২০২৩-২৪ বৰ্ষত চিপিএমৰ অনুদান সংগ্ৰহ ৭.৬ কোটি টকালৈ বৃদ্ধি পাইছে। এইটো স্পষ্ট যে ২০২৩ চনত নিৰ্বাচন আয়োগে অনুদান সংগ্ৰহৰ স্বচ্ছতাৰ ক্ষেত্ৰত এক নতুন দৃষ্টিভংগী আনিছে। উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ড আঁচনিখন বাতিল কৰাৰ পিছৰে পৰা ৰাজনৈতিক দলসমূহৰ ধন সংগ্ৰহৰ তথ্য প্ৰকাশ কৰা হৈছে, যাৰ ফলত জনসাধাৰণৰ বাবে অধিক স্বচ্ছতা নিশ্চিত কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধবিধ্বস্ত গাজাত পুনৰ নিহত সাংবাদিক

গাজাত বৃহস্পতিবাৰে ইজৰাইলী বাহিনীয়ে সংঘটিত কৰা বিমান আক্ৰমণত পাঁচজন সাংবাদিক নিহত হোৱাৰ কথা নিশ্চিত কৰিছে সশস্ত্ৰ পেলেষ্টাইনী সংগঠন হামাছৰ নিয়ন্ত্ৰণত থকা আঞ্চলিক প্ৰশাসনে। সংবাদ সংস্থা আল জাজিৰাৰ বাতৰি অনুসৰি মৃত সাংবাদিকসকলে এখন গাড়ীত উঠি নুছেইৰাট শৰণাৰ্থী শিবিৰৰ সমীপৰ আল-আউদা হাস্পতালৰ পৰা গৈ বাতৰি সংগ্ৰহ কৰিছিল। তেওঁলোকৰ গাড়ীখনত "প্ৰেছ" শব্দটো স্পষ্টকৈ লিখা আছিল যদিও ইজৰাইলী বোমাৰু বিমানে তাৰ পিছতো তেওঁলোকৰ ওপৰত আক্ৰমণ চলায়। নিহত সাংবাদিক আটাইকেইজনেই আছিল পেলেষ্টাইনী নাগৰিক। উল্লেখ্য যে, ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধৰ পৰিস্থিতি আৰম্ভ হৈছিল ২০২৩ চনৰ অক্টোবৰ মাহত গাজা সীমান্তৰ পৰা হামাছে আক্ৰমণ চলোৱাৰ পিছত। ইজৰাইলৰ এই আক্ৰমণত ৰয়টাৰ, আল জাজিৰা আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ কৰ্মচাৰীকে ধৰি কেইবাজনো সাংবাদিক নিহত হৈছে। শেহতীয়াকৈ ৰিপ'ৰ্টাৰ্ছ উইদউট বৰ্ডাৰ (আৰএছএফ) নামৰ সংস্থাই প্ৰকাশ পৰা এক প্ৰতিবেদন অনুসৰি ২০২৩ চনৰ ১ জানুৱাৰীৰ পৰা ১ ডিচেম্বৰলৈকে বিশ্বজুৰি যুদ্ধ আৰু সংঘাতত ৫৪ জন সাংবাদিক নিহত হৈছে। লক্ষণীয় যে, ইয়াৰে ১৮ জন সাংবাদিক নিহত হৈছে ইজৰাইলী সেনাৰ আক্ৰমণত। শেহতীয়া যুদ্ধ পৰিস্থিতিৰ পৰৱৰ্তী সময়ত কেৱল গাজাতে ১৬ জন সাংবাদিকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্যৰাতি অসুস্থ সাংসদ ফণীভূষণ

ফণীভূষণ চৌধুৰীক। শ্বাস-প্ৰশ্বাসজনিত সমস্যা আৰু জ্বৰৰ বাবে গুৱাহাটীৰ হেল্থ চিটি হাস্পতালত ভৰ্তি কৰোৱা হয় চৌধুৰীক। অৱশ্যে বৃহস্পতিবাৰে তেওঁৰ শাৰীৰিক অৱস্থা সুস্থিৰ বুলি জানিবলৈ দিছে চিকিৎসকে। তেওঁৰ স্বাস্থ্যক লৈ এতিয়া চিন্তাৰ কোনো কাৰণ নাই বুলিও আশ্বাস চিকিৎসকৰ। হাস্পতালৰ চিকিৎসক ডাঃ অতনু বৰঠাকুৰে কয়, "তেওঁৰ শাৰীৰিক অৱস্থা এতিয়া সংকটমুক্ত। যোৱা কেইদিনমানৰ পৰা তেওঁ চৰ্দি আৰু জ্বৰত ভুগি আছিল। বৰ্তমান তেওঁ আই চি ইউত আছে আৰু বিশেষজ্ঞ চিকিৎসকৰ এটা দলে তেওঁক নিৰীক্ষণ কৰি আছে।" মন কৰিবলগীয়া যে বুধবাৰে সন্ধিয়া হঠাতে নিজৰ বাসগৃহত অসুস্থ হৈ পৰে প্ৰবীণ নেতাগৰাকী। প্ৰাৰম্ভিক চিকিৎসাৰ অন্তত তেওঁক বঙাইগাঁৱৰ পৰা নিশা গুৱাহাটীৰ হেল্থ চিটি হাস্পতাললৈ স্থানান্তৰিত কৰা হয়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা তেওঁৰ স্বাস্থ্যৰ বুজ ল'বলৈ ততাতৈয়াকৈ চিকিৎসালয়লৈ যায়। উল্লেখ্য যে, কেইবাবছৰ পূৰ্বে সাংসদগৰাকীৰ শৰীৰত হৃদযন্ত্ৰৰ সমস্যাৰ বাবে পেচমেকাৰ সংস্থাপন কৰা হৈছিল। যদিও তেওঁৰ অসুস্থতাৰ খবৰক লৈ উদ্বেগ প্ৰকাশ পাইছে, চিকিৎসকৰ মতে এতিয়া পৰিস্থিতি নিয়ন্ত্ৰণত আছে। তেওঁৰ বিধায়িকা পত্নী আৰু পুত্ৰ পৰিয়ালৰ আন আন সদস্যসকলৰ সৈতে চিকিৎসালয়ত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজমলে হিমন্তৰ অনুমতি লৈ উশাহ লয়!

সমস্যা ঢাকিবলৈ হিন্দু-মুছলমানৰ খেল খেলিছে। আজি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে তীক্ষ্ণ আক্ৰমণ কৰে বিজেপি দল তথা দলৰ মুৰব্বী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। আজি মধ্য অসমৰ মাইনৰিটি বেল্টত এখন জনসভাত এই মন্তব্য প্ৰদান কৰিছে। আজি হোজাই জিলাৰ মোৰাঝাৰত এখন কৰ্মী সভাত অংশ লৈ অজাপৰ সভাপতিগৰাকীয়ে কয় যে হিমন্ত চৰকাৰ ভিক্ষাৰীৰ চৰকাৰ। অসমত এতিয়া ভিক্ষাৰীৰ চৰকাৰ চলি আছে। মুখ্য সমস্যাক গাপ দিবলৈ সাম্প্ৰদায়িক কথা কয়। যাৰ ফলত মানুহৰ মাজত ব্যৱধান বৃদ্ধি পাইছে। হিন্দু মুছলমানৰ মাজত সম্প্ৰীতি নাইকিয়া হৈছে। সভাপতি গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি অসমীয়া জাতিৰ সংজ্ঞা দিয় কয় যে হিন্দু-মুছলমান, সকলো জাতি-জনগোষ্ঠী মিলিহে অসমীয়া জাতি। জ্যোতিপ্ৰসাদ আগৰৱালা মাৰোৱাৰী মানুহ। কিন্তু তেওঁ কিমান অসমীয়া। তাৰ প্ৰমাণ চাবলৈ কোনোবাই গাঁৱত গৈ লাগিলে মাৰোৱাৰী মানুহে জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া নহয় বুলি ক'লে মাৰ খাব লাগিব। তেওঁ নিভাঁজ অসমীয়া। এয়াই অসমীয়া। এয়াই অসমীয়াত্ব। হোজাইত পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজোৱা সভাত অৰ্ধ শতাধিক লোকে দলত যোগদান কৰে। সাংবাদিকৰ এক প্ৰশ্ন উত্তৰত লুৰীণে কয় অসম ঋণত ডুবিছে। আজি জন্ম হোৱা শিশুৰে ঋণৰ বোজা লব লাগিব। আজমলক আক্ৰমণ কৰি লুৰীণে কয় যে আজমল বিজেপিৰ বি-টীম। আজমলৰ লগত মিত্ৰতা নহয়। আজমলে জোৰকৈ উশাহ লওতে হিমন্তৰ অনুমতি ল'ব লাগে। কথা কোৱাৰ আগতে হিমন্তৰ অনুমতি লয়। সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে অসমৰ ৰাইজে ২৬ত এখন নতুন চৰকাৰ বনাব। হোজাই জিলা অজাপৰ সভাপতি লুতফুৰ ৰহমানে, জিলা সম্পাদক মিনাজ আহমেদ, মৌচুমী শৰ্মা, দেৱজিৎ বৰুৱা, জিয়াউৰ ৰহমানে সাংগঠনিক দিশত ভাষণৰ লগতে হিমন্ত চৰকাৰক সমালোচনা কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ৰমাৎ স্পষ্ট বিৰোধী 'ইণ্ডিয়া'ৰ আঁৰৰ

পাৰ্টি। বৃহস্পতিবাৰে আম আদমী পাৰ্টিয়ে ঘোষণা কৰে যে যদিহে কংগ্ৰেছে দিল্লীৰ নেতা অজয় মাকেনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে ইণ্ডিয়া মিত্ৰজোঁটৰ দলসমূহক কংগ্ৰেছক মিত্ৰতাৰ পৰা আঁতৰাবলৈ অনুৰোধ জনাব। দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী আৰু আপৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে অভিযোগ কৰে যে দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে বিজেপিক সুবিধা প্ৰদান কৰিছে। সঞ্জয় সিঙে কয় যে কংগ্ৰেছে যি কাম কৰিছে সেই কামে বিজেপিক নিৰ্বাচনত জয়ী হোৱাত সহায় কৰিব। তেওঁ আৰু অভিযোগ কৰে যে, "কংগ্ৰেছ বা অজয় মাকেনে কেতিয়াও কোনো বিজেপি নেতাক 'ৰাষ্ট্ৰ বিৰোধী' বুলি কোৱা নাই। কিন্তু আপ নেতাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি তেওঁলোকে বিজেপিক উপকৃত কৰিছে।" উল্লেখ্য যে, কিছু মাহ পূৰ্বে অনুষ্ঠিত হোৱা লোকসভা নিৰ্বাচনত দিল্লীত একেলগে যুঁজ দিছিল আপ আৰু কংগ্ৰেছে। কিন্তু সেই নিৰ্বাচনত দিল্লীৰ আটাইকেইখন আসনতে বিজেপিয়ে জয়লাভ কৰাৰ পিছতে ক্ৰমাৎ মিত্ৰতাত যতি পৰিবলৈ আৰম্ভ কৰিছিল আপ-কংগ্ৰেছৰ। সঞ্জয় সিঙে আৰু কয়, "অৰবিন্দ কেজৰিৱালে দিল্লীত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছিল। চণ্ডীগড়তো কংগ্ৰেছৰ হৈ প্ৰচাৰ চলাইছিল। কিন্তু এতিয়া কংগ্ৰেছৰ যুৱ শাখাই তেওঁৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিছে।" তেওঁ কয়, "হাৰিয়ানা বিধানসভা নিৰ্বাচনত আমি কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু কংগ্ৰেছে মান্তি হোৱা নাছিল। তথাপিও আমি কংগ্ৰেছৰ বিৰুদ্ধে কোনো কটু কথা কোৱা নাছিলো। কিন্তু এতিয়া আমাৰ নেতাক 'ৰাষ্ট্ৰ বিৰোধী' বুলি কোৱা হৈছে।" ইফালে ২৪ ঘন্টাৰ ভিতৰত অজয় মাকেনৰ বিৰুদ্ধে কংগ্ৰেছক ব্যৱস্থা ল'বলৈ দাবী জনাইছে আপে। অন্যথা ইণ্ডিয়া মিত্ৰজোঁটৰ অন্য অংশীদাৰ দলৰ লগত কথা পাতি কংগ্ৰেছক মিত্ৰতাৰ পৰা বাদ দিবলৈ দাবী জনাব। অন্যহাতে মুখ্যমন্ত্ৰী আতিশীয়ে অভিযোগ কৰে যে কংগ্ৰেছৰ এই কাৰ্যই প্ৰমাণ কৰে যে তেওঁলোকে দিল্লী নিৰ্বাচনৰ বাবে বিজেপিৰ সৈতে হাত মিলাইছে। তেওঁ কয়, "কংগ্ৰেছে কেতিয়াবা বিজেপিৰ বিৰুদ্ধে আৰক্ষীক অভিযোগ দাখিল কৰিছেনে? নাই। কিন্তু আপ নেতাৰ বিৰুদ্ধে অভিযোগ দিছে।" আনহাতে, দিল্লীৰ প্ৰদূষণ, নাগৰিক সেৱা আৰু আইন-শৃংখলাক লৈ আপ আৰু বিজেপিক সমালোচনা কৰি দিল্লী কংগ্ৰেছে কালি ১২ দফীয়া শ্বেতপত্ৰ প্ৰকাশ কৰে। কংগ্ৰেছ নেতা অজয় মাকেনে কয়, "দুৰ্নীতি বিৰোধী আন্দোলনৰ জৰিয়তে ক্ষমতালৈ অহাৰ পিছতো আপে এতিয়াও দিল্লীত জন লোকপাল গঠন কৰাত ব্যৰ্থ হৈছে। অৰবিন্দ কেজৰিৱাল হৈছে প্ৰৱঞ্চনাৰ ৰজা, আৰু সেইবাবেই আমি কেজৰিৱাল চৰকাৰৰ বিৰুদ্ধে শ্বেতপত্ৰ আনিছো।" মন কৰিবলগীয়া যে দিল্লী আৰু পঞ্জাৱত আপ আৰু কংগ্ৰেছ তীব্ৰ প্ৰতিদ্বন্দ্বী। ১৫ বছৰীয়া কংগ্ৰেছৰ শাসনৰ অন্ত পেলাই দিল্লীত ক্ষমতা দখল কৰিছিল কেজৰিৱাল নেতৃত্বাধীন দলটোৱে। একেদৰে পঞ্জাৱতো কংগ্ৰেছ চৰকাৰৰ পতন ঘটাই ক্ষমতাত অধিষ্ঠিত হৈছিল আম আদমী পাৰ্টি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুব্ৰত তাঁতীৰ হত্যা, তিনিজনৰ আত্মসমৰ্পণ

বনাঞ্চলত যোৱা ২২ ডিচেম্বৰৰ পুৱা ৰহস্যজনকভাৱে গুলীবিদ্ধ হৈ মৃত্যু হৈছিল ২ নং কাকজান গাঁৱৰ যুৱক সুব্ৰত তাঁতী (৩৫)ৰ। এইক্ষেত্ৰত সন্দেহৰ আঙুলি উঠিছিল দ্ৰোণকান্ত মৰাণ, ৰঞ্জিত চেতিয়া, গৌতম চেতিয়া আৰু মঞ্জিত মৰাণৰ ওপৰত। কাৰণ এই চাৰি সতীৰ্থৰ সৈতে বনাঞ্চললৈ গৈছিল সুব্ৰতই। ঘটনাৰ দিনা পুৱা প্ৰায় ৮ বজাত ঘৰৰ পৰা ওলাই যোৱা সুব্ৰতৰ পত্নীলৈ চাৰি সতীৰ্থৰ এজনে ফোন কৰি সুব্ৰতৰ হাতত গুলী লগা বুলি জনোৱাৰ পাছৰে পৰাই চাৰি সতীৰ্থৰ নাছিল কোনো শুংসূত্ৰ। সুব্ৰতৰ পত্নীয়ে পৰিয়ালৰ লোকৰ লগতে ওচৰ-চুবুৰীয়াৰ সহযোগত বনাঞ্চলৰ মাজৰ পৰা উদ্ধাৰ কৰিছিল সুব্ৰতৰ গুলীবিদ্ধ মৃতদেহ। পাঁচ সন্তানৰ পিতৃ সুব্ৰতৰ হাত আৰু বুকুত গুলী লাগিছিল। ঘটনাস্থলীৰ পৰা অলপ আঁতৰত সুব্ৰতৰ কাপোৰ-কানিও উদ্ধাৰ হৈছিল। উক্ত ৰহস্যজনক ঘটনাৰ পাছতেই তিনিচুকীয়া আৰক্ষীৰ সহযোগত ফিল'বাৰী আৰক্ষী থানাৰ নৱ-নিযুক্ত আৰক্ষী বিষয়া অজিত সোণোৱালে তৎপৰতাৰে অভিযানত নামি পৰিছিল। ইয়াৰ মাজতে ঘটনাৰ সন্দেহৰ আঙুলি উঠা চাৰি সতীৰ্থৰ ভিতৰত ৩ নং কাকজান গাঁৱৰ দ্ৰোণকান্ত মৰাণ (৩৪), ২ নং কাকজানৰ ৰঞ্জিত চেতিয়া আৰু গৌতম চেতিয়াই আজি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি মৃত সুব্ৰত তাঁতীৰ পৰিয়াল আৰু বন বিভাগে সুকীয়াকৈ দিয়া দুখন এজাহাৰৰ ভিত্তিত আৰু তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত আত্মসমৰ্পণকাৰীৰ ওপৰত ন্যায়িক ব্যৱস্থা চলিব। ঘটনাৰ সন্দৰ্ভত চাৰি সতীৰ্থৰ বিৰুদ্ধে ফিল'বাৰী আৰক্ষীয়ে ৩৭/২৪ নম্বৰৰ গোচৰ ৰুজু কৰিছে। উল্লেখ্য যে তাঁতীৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ২৩ ডিচেম্বৰত মৃতদেহ লৈ স্থানীয় ৰাইজে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমা দলঙৰ ওপৰত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল।

# পানীতোলাৰ নবাৰুণ ক্লাবৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন বিধায়ক পোনাকণ বৰুৱাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৬ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ পানীতোলা অঞ্চলৰ বৃহত্তৰ বৰুৱাহোলা গাঁৱৰ এটি অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান নবাৰুণ ক্লাবে জন্মলগ্নৰে পৰা সমাজৰ হকে দায়বদ্ধতাৰে বিভিন্ন কাম কৰি আহিছে। কিন্তু এটি কাৰ্যালয় গৃহৰ অভাৱত বিভিন্ন সমস্যা সন্মুখীন হৈছিল তেওঁলোক। অৱশেষত কাৰ্যালয় গৃহটি নিৰ্মাণৰ বাবে চাবুৱা সমষ্টিৰ বিধায়ক উন্নয়ন পুঁজিৰ পৰা ৪ লাখ টকা আবণ্টন পোৱাত ক্লাবটোৰ প্ৰতিগৰাকী সদস্যই উৎফুল্লিত হৈ পৰে। কাৰ্যালয় গৃহটি নিৰ্মাণৰ বাবে বৰুৱাহোলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত




বৃহস্পতিবাৰে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই আধাৰশিলা স্থাপন কৰে। দিব্যপ্ৰতীম চেতিয়াই আঁত ধৰা আধাৰশিলা অনুষ্ঠানত বিধায়ক পোনাকণ বৰুৱাক ক্লাবৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়। উক্ত আধাৰশিলা অনুষ্ঠানত গাঁওপ্ৰধান নিকোলাছ দাস, বৰুৱাহোলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ক্ষীতিশ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক তিলেশ্বৰ সেনাপতি, গাঁওবুঢ়া সবেশ্বৰ দত্ত, সমাজকৰ্মী কেশৱ হাজৰিকাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত একাধিক ব্যক্তিৰ লগতে শতাধিক ৰাইজ উপস্থিত থাকে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নীৰৱে দেশক গঢ় দি গ'লগৈ মনমোহন সিং

বৃহস্পতিবাৰে নিশা শেষ নিশ্বাস ত্যাগ কৰে সিঙে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। বয়সৰ লগত জড়িত ৰোগত আক্ৰান্ত হৈ আছিল তেওঁ। বৃহস্পতিবাৰে তেওঁক দিল্লীৰ এইমছত ভৰ্তি কৰা হয়। নিশা প্ৰায় ৮ বজাত তেওঁক চিকিৎসালয়ৰ জৰুৰীকালীন বিভাগলৈ লৈ যোৱা হয়। নিশা চিকিৎসালয়ত মৃত্যু হয় প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ। মনমোহনে ২০০৪ চনৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউপিএ মিত্ৰজোঁটৰ প্ৰধানমন্ত্ৰী হিচাপে ১০ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৪ চনত বিজেপি নেতৃত্বাধীন এনডিএৰ মিত্ৰজোঁটৰ হাতত ইউপিএ পৰাজিত হোৱাত নৰেন্দ্ৰ মোডী ক্ষমতালৈ আহে। ইয়াৰ উপৰিও মনমোহনে পিভি নৰসিংহ ৰাও নেতৃত্বাধীন চৰকাৰত বিত্তমন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ২০২১ চনৰ এপ্ৰিল মাহত তেওঁ ক'ভিডত আক্ৰান্ত হৈছিল। তেওঁক চিকিৎসালয়তো ভৰ্তি কৰা হৈছিল। কিন্তু সেই সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী সুস্থ হৈ ঘৰলৈ উভতি আহিছিল। তেতিয়াৰ পৰাই তেওঁৰ শৰীৰটো কম-বেছি পৰিমাণে অসুস্থ হৈ পৰিছিল। মনমোহনৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাৰ কথা শুনি নিশাই চিকিৎসালয়ত উপস্থিত হয় কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী তথা বিজেপিৰ সভাপতি জে পি নাড্ডাও দিল্লীৰ এইমছত উপস্থিত হয়। দিল্লী এইমছৰ তথ্য অনুসৰি বয়সৰ লগত জড়িত ৰোগত আক্ৰান্ত হৈ আছিল প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী। বৃহস্পতিবাৰে ঘৰতে হঠাতে তেওঁৰ চেতনা হেৰাই যায়। নিশা ৮:০৬ বজাত তেওঁক দিল্লী এইমছৰ জৰুৰীকালীন বিভাগলৈ অনা হয়। চিকিৎসকৰ দলৰ সকলো প্ৰচেষ্টাৰ পিছতো তেওঁক ঘূৰাই অনা সম্ভৱ নহ'ল। দিল্লী এইমছে এক বিবৃতিত জনোৱা মতে, নিশা ৯:৫১ বজাত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। শাৰীৰিক অসুস্থতাৰ বাবে যোৱা কেইবছৰমান সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি আছিল ড০ মনমোহন সিং। চলিত বৰ্ষৰ জানুৱাৰী মাহত তেওঁক শেষবাৰৰ বাবে ৰাজহুৱাভাৱে দেখা গৈছিল গ্ৰন্থ উন্মোচনী অনুষ্ঠানত। অৰ্থনীতিবিদ তথা দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে কন্যাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল ড০ মনমোহন সিঙে। ১৯৮২ চনৰ ১৬ ছেপ্টেম্বৰৰ পৰা ১৯৮৫ চনৰ ১৪ জানুৱাৰীলৈকে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ আছিল তেওঁ। প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ মন্ত্ৰীসভাত তেওঁ বিত্ত মন্ত্ৰালয়ৰ গুৰুত্বপূৰ্ণ দায়িত্ব চম্ভালিছিল। সাংসদ হিচাপে তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকাল চলিত বৰ্ষত অন্ত পৰে। উল্লেখ্য যে, মনমোহন সিঙৰ জন্ম হৈছিল জন্ম ১৯৩২ চনৰ ২৬ চেপ্তেম্বৰত গহত (বৰ্তমান পাকিস্তানৰ পঞ্জাৱত)। ১৯৪৭ চনৰ দেশবিভাজনৰ সময়ত তেওঁলোকৰ পৰিয়াল ভাৰতৰ ভাৰতৰ অমৃতসৰলৈ আহে আৰু তেওঁ তাৰ হিন্দু কলেজত অধ্যয়ন কৰে। অধ্যয়নৰ প্ৰতি থকা একান্ত ইচ্ছা আৰু অধ্যৱসায়ৰ বাবেই মনমোহন সিঙে ইংলেণ্ডৰ অক্সফ'ৰ্ড ইউনিভাৰ্চিটীৰ পৰা ডক্টৰেট ডিগ্ৰী গ্ৰহণ কৰে। বৃহস্পতিবাৰে গভীৰ নিশা দিল্লী এইমছৰ পৰা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃতদেহ তেওঁৰ বাসগৃহলৈ লৈ যোৱা হয়। তেওঁৰ মৃত্যুত কংগ্ৰেছে ৭ দিনৰ বাবে দলীয় সকলো কাৰ্যসূচী বাতিল কৰাৰ সিদ্ধান্ত লয়। ইতিমধ্যে কৰ্ণাটক চৰকাৰে ৭ দিনৰ চৰকাৰী শোক ঘোষণা কৰিছে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ উদ্ধৃতি দি সংবাদ সংস্থা এএনআইয়ে প্ৰকাশ কৰা অনুসৰি শুকুৰবাৰে ৰাজ্য চৰকাৰে চৰকাৰী বন্ধ ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰ অনুসৰি শুকুৰবাৰে মোডী চৰকাৰে সকলো চৰকাৰী কাৰ্যসূচী বন্ধ থাকিব। কেন্দ্ৰীয় কেবিনেটেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত ৭ দিনৰ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিব পাৰে বুলি অনুমান কৰা হৈছে। প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেনুগোপালে ছ'চিয়েল মিডিয়াত লিখিছে যে দলীয় সকলো কাৰ্যসূচী ৭ দিনৰ বাবে স্থগিত ৰখা হৈছে। এইবাৰ দলৰ প্ৰতিষ্ঠা দিৱস উদযাপন বাতিল কৰাৰ সিদ্ধান্তও লোৱা হৈছে। এই সাত দিনত সকলোতে অৰ্ধনমিত কৰি ৰখা হ'ব দলীয় পতাকা। ৩ জানুৱাৰীৰ পৰা পুনৰ আৰম্ভ হ'ব দলীয় কাৰ্যসূচী। কংগ্ৰেছৰ বৰ্ধিত কাৰ্য্যকৰী সমিতিৰ বৈঠকত অংশগ্ৰহণৰ বাবে ৰাহুল গান্ধী, মল্লিকাৰ্জুন খৰ্গেকে আদি কৰি কৰ্ণাটকলৈ গৈছিল। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুৰ খবৰ পাই নৈশ বিমানেৰে দিল্লীলৈ উভতি আহে আটাইকেইগৰাকী। সংবাদ সংস্থা এএনআইয়ে প্ৰকাশ কৰা অনুসৰি বৃহস্পতিবাৰে গভীৰ নিশা ৰাহুল আৰু খৰ্গে দিল্লীস্থিত প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ বাসগৃহত উপস্থিত হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি দেশৰ প্ৰতিগৰাকী নেতাই। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন, ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ দৰে বিশ্বনেতাসকলেও মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# কৌতুক শিল্পী প্ৰফুল্ল চন্দ্ৰ ডেকাৰ বিয়োগ, বেজেৰাত শোকৰ ছাঁ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৬ ডিচেম্বৰঃ** কামৰূপ জিলাৰ শালমাৰা ভড়ালীপাৰা চুবুৰীৰ প্ৰফুল্ল চন্দ্ৰ ডেকাৰ বৃহস্পতিবাৰে নিজ বাসগৃহত দুপৰীয়া ১২.০৮ বজাত বিয়োগ ঘটে। বৃক্কজনিত ৰোগত আক্ৰান্ত বিশিষ্ট কৌতুক শিল্পী প্ৰফুল্ল চন্দ্ৰ ডেকা মাত্ৰ কেইদিনমান পূৰ্বে চিকিৎসালয়ৰ পৰা ঘৰলৈ আহিছিল। প্ৰফুল্ল চন্দ্ৰ ডেকা শিপাৰ লগত জড়িত এগৰাকী প্ৰতিষ্ঠিত কৌতুক শিল্পী আছিল। কৌতুকৰ লগতে নাগাৰা নামৰ সৈতেও জড়িত হৈ বহু ঠাইত নাম প্ৰদৰ্শন কৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছিল । অতি সহজ সৰল প্ৰফুল্ল চন্দ্ৰ ডেকা সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ প্ৰিয় আছিল। ডেকাৰ মৃত্যু সমাজৰ এক অপূৰণীয় ক্ষতি বুলি বিবেচিত হৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ-বোৱাৰীক ইহ সংসাৰত এৰি থৈ যায়। অঞ্চলটোৰ প্ৰতিষ্ঠিত কৌতুক শিল্পী ডেকাৰ মৃত্যুত বৃহত্তৰ বেজেৰা অঞ্চলৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক ব্যক্ত কৰি বিদেহী আত্মাৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# প্ৰয়াত যুৱ কবি অলকেশ কলিতাৰ কবিতাপুথি উন্মোচন

**গুৱাহাটী, ২৬ ডিচেম্বৰঃ** প্ৰয়াত কবি অলকেশ কলিতাৰ জীৱনৰ শেষৰখন কবিতাপুথি "অপূৰ্ণ পুস্তক' আজি গুৱাহাটী প্ৰেছ ক্লাৱত উন্মোচিত হয়। লগতে অলকেশ কলিতাৰ জীৱনৰ প্ৰথমখন কবিতাপুথি 'ভাস্কৰ'ৰ দ্বিতীয় সংস্কৰণো একেটি অনুষ্ঠানতেই উন্মোচিত হয়। দুয়োখন কবিতাপুথিৰে প্ৰকাশক অসমৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী 'পাঞ্চজন্য'। এই অনুষ্ঠানত গ্ৰন্থ উন্মোচক হিচাপে উপস্থিত থাকে অসমৰ বিশিষ্ট কবি নীলিম কুমাৰ, নীলিমা ঠাকুৰীয়া হক আৰু শিক্ষাবিদ পূৰ্ণ ভট্টাচাৰ্য। এই অনুষ্ঠানত উপস্থিত




অভ্যাগতসকলে অলকেশ কলিতাৰ কাব্যসাধনা সন্দৰ্ভত বিস্তৰ আলোচনা কৰে। অসমৰ সাহিত্য জগতৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ বিশেষ উপস্থিতিত আয়োজিত অনুষ্ঠানটোৰে প্ৰয়াত কবি অলকেশ কলিতাৰ চমু জীৱন তথা কাব্যচৰ্চাক লৈয়ো চমুকৈ আলোকপাত কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ মোগল বন্দনা লখিমপুৰৰ বিজেপি

সন্তান, বাবৰৰ সন্তান বুলি ধৰ্ম বিশেষক অট্টহাস্য কৰা বিজেপিৰ নেতা-কৰ্মীৰ এক বদ অভ্যাসত পৰিণত হৈছে। ইয়াৰ মাজতে অসমত সংঘটিত হৈছে এক আজৱ কাণ্ড। এইবাৰ খোদ বিজেপিৰ নেতা পৰিছে আকবৰ-বীৰবলৰ প্ৰেমত। কথাত নহয় এইবাৰ হাতে-কামে মোগল প্ৰেম দেখুৱালে বিজেপিৰ নেতাই। এইবাৰ অসমৰ এজন বিজেপিৰ নেতাই গুৰু গোবিন্দ সিঙৰ পুত্ৰ জোৰাৱৰ সিং আৰু ফাতেহ সিঙৰ লগতে আকবৰ-বীৰবলকো স্মৰণ কৰা ঘটনাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই আকবৰ-বীৰবলৰ ফটো লগাই বীৰ বাল দিৱস পালন কৰিছে। সাংসদ প্ৰদান বৰুৱাই বৰ বৰ ভাষণ দি থকা অৱস্থাৰ এখন ফটো ভাইৰেল হৈছে। সভাত লগোৱা ফটোত দেখা গৈছে আকবৰ বীৰবলৰ ফটো। মোগলৰ কথা কৈ ধৰ্ম বিশেষক ঘৃণা কৰা বিজেপিৰ নেতাই আকবৰ-বীৰবলক চিনি নাপায়। যি মোগলক ঘৃণা কৰে সেই মোগলক পূজনীয় হিচাপে দাঙি ধৰিলে বিজেপিৰ সাংসদে। এয়া হৈছে বিজেপি দল আৰু বিজেপি নেতাৰ জ্ঞানৰ নমুনা। বিজেপিৰ সাংসদ প্ৰদান বৰুৱাৰ সম্যক জ্ঞানক লৈয়ো এতিয়া প্ৰশ্ন উত্থাপিত হৈছে। লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাৰ উপস্থিতিত অনুষ্ঠিত এই বীৰ বাল দিৱসক লৈ এতিয়া বিজেপিৰ ভিতৰচ'ৰাতো সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উল্লেখ্য যে, ২৬ ডিচেম্বৰৰ দিনটো 'বীৰ বাল দিৱস' হিচাপে পালন কৰাৰ ঘোষণা কৰিছিল খোদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজিৰ দিনটোতে আনন্দপুৰ চাহাব গড়ত মোগল সেনাই ঘেৰাও কৰাৰ লগে লগে গুৰু গোবিন্দ সিঙে পৰিয়াল আৰু শিষ্যসকলৰ সৈতে পলায়ন কৰিবলৈ বাধ্য হোৱাৰ সময়তে আনন্দপুৰ চাহাব দুৰ্গত মোগলকালৰ ভয়ংকৰ কাণ্ড সংঘটিত হৈছিল। গুৰু গোবিন্দ সিঙৰ পুত্ৰ জোৰাৱৰ সিং আৰু ফাতেহ সিং ২৬ ডিচেম্বৰৰ দিনটোতে শ্বহীদ হৈছিল। শিখসকলৰ অন্তিম গুৰু গোবিন্দ সিঙৰ দুই বীৰ পুত্ৰ বাবা ফাটেহ সিং আৰু জোৰাৱৰ সিঙে শিখ ধৰ্ম আৰু স্বদেশৰ ৰক্ষাৰ স্বাৰ্থত প্ৰাণ দিয়া দিনটোক শিখসকলে বিশেষ দিন হিচাপে পালন কৰি অহাৰ সময়তে বিজেপি চৰকাৰে বীৰ বাল দিৱস পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনে এক দিৱসত সাংসদ প্ৰদান বৰুৱাই মোগলক বন্দনা কৰা বুলি চৰ্চা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা

সাহিত্য বঁটা' আৰু 'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা' আজি ঘোষণা কৰা হয়। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈৰ পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অসম গ্ৰন্থমেলা, গুৱাহাটীৰ বাকৰিত আজি এক সংবাদমেলৰ আয়োজন কৰি পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা ঘোষণা কৰে। এই বিষয়ে সদৰী কৰি কলিতাই কয় - ২০২৪ বৰ্ষৰ 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা'ৰে সন্মানিত হৈছে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি। 'ধাৰ আৰু অন্যান্য গল্প' শীৰ্ষক গ্ৰন্থখনৰ বাবে ঠংচিলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি-পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। উল্লেখ্য, 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' লাভ কৰা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিৰ 'ধাৰ আৰু অন্যান্য গল্প' গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে গুৱাহাটীৰ 'বনলতা'ই। সেয়ে 'বনলতা'লৈ আগবঢ়োৱা হৈছে-'অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা'। প্ৰকাশকৰ বঁটাত আছে নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা। উল্লেখ্য, অসম প্ৰকাশন পৰিষদে 'অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা' বিগত ২০২১ বৰ্ষত ড° নন্দিতা দেৱী আৰু ২০২২ বৰ্ষত ড° প্ৰণৱজ্যোতি ডেকা আৰু ২০২৩ বৰ্ষত ড° ধ্ৰুৱজ্যোতি বৰাক প্ৰদান কৰিছিল। সেইদৰে উক্ত দুটা বৰ্ষত প্ৰকাশকৰ বঁটা লাভ কৰা প্ৰকাশন প্ৰতিষ্ঠান তিনিটা হৈছে ক্ৰমে- 'জ্যোতি প্ৰকাশন', 'বান্ধৱ' আৰু আসাম পাব্লিচিং কোম্পানী। বিচাৰকমণ্ডলীয়ে চূড়ান্ত পৰ্যায়ত নিৰ্বাচন কৰা ৬খন গ্ৰন্থৰ অন্যান্য পাঁচখন গ্ৰন্থ হ'ল- ভূপেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস 'বুঢ়াদিয়াৰ পাৰে পাৰে', দীপক কুমাৰ বৰকাকতিৰ উপন্যাস 'ঐশ্বৰ্য্য', সমীৰ তাঁতীৰ কাব্য গ্ৰন্থ 'ফৰিংবোৰে বাটৰ কথা জানে' আৰু দেৱব্ৰত দাসৰ উপন্যাস 'কড়ি খেলাৰ সাধু'।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী হৈয়েই বিপদত প্ৰশান্ত!

প্ৰণৱ তাঁতীক সভাপতি হিচাপে নিযুক্তি দি এসপ্তাহ নৌহওঁতে পুনৰ ৰাজু বৰাইক সেই পদত নিযুক্তি দিয়াত ক্ষোভিত হৈ পৰিছে চাহ জনগোষ্ঠীৰ বিজেপিৰ কৰ্মীসকল। পদবী পুনৰ ঘূৰাই নিদিলে চাহ বাগানত মন্ত্ৰী ফুকনৰ প্ৰৱেশ নিষেধ কৰাৰ হুংকাৰ চাহ জনগোষ্ঠীয় নেতাৰ। মন্ত্ৰী প্ৰশান্ত ফুকনে নিজৰ খেয়াল খুচি মতে ১৭ ডিচেম্বৰত ৰাজ্যিক বিজেপিয়ে মধ্য মণ্ডলৰ সভাপতি হিচাপে প্ৰণৱ তাঁতীক নিযুক্তি দিছিল যদিও ৭ দিনতে তাঁতীক আঁতৰাই ডিব্ৰুগড় সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনৰ ঘনিষ্ঠ ৰাজু বৰাইক নামৰ ব্যক্তিজনক সভাপতিৰ দায়িত্ব দিয়া কাৰ্য্যক ডিব্ৰুগড়ৰ চাহ জনগোষ্ঠীৰ বিজেপিৰ কৰ্মীসকলে মানি ল'ব পৰা নাই। কৰ্মীসকলে 'মন্ত্ৰী প্ৰশান্ত ফুকন মুৰ্দাবাদ' ধ্বনিৰে মুখৰিত হৈ পৰে। বিজেপিৰ কৰ্মীসকলে কৰা অভিযোগ মতে এখন হোটেলত বহি টকাৰ লেনদেন হৈছিল আৰু সেয়েহে মন্ত্ৰীয়ে নিজৰ সুবিধাৰ বাবেই উঠা বহা কৰিব পৰা ব্যক্তিক সভাপতি পাতিলে। ইতিমধ্যে বিজেপিৰ চাহ জনগোষ্ঠীসকলৰ এটা দলে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক সভাপতি ভৱেশ কলিতাক সাক্ষাৎ কৰি সকলো কথা কৈছিল যদিওঁ তেঁওলোকে কথাটোত কোনোৱে গুৰুত্ব নিদিলে। ক্ষোভিত কৰ্মীসকলে সংবাদ মাধ্যমৰ আগত কয় যে বিজেপিয়ে সন্মান দি সন্মান নষ্ট কৰিলে আৰু আগন্তুক নিৰ্বাচনত ইয়াৰ ফল ভোগ কৰিব লাগিব। তাঁতীৰ বিৰুদ্ধে কোনো অভিযোগ নোপোৱাকৈ কি কাৰণত তেওঁক বঞ্চিত কৰি লাজ দিলে সেয়া পৰৱৰ্তী সময়ত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও ক্ষোভিত বিজেপি কৰ্মীয়ে জানিবলৈ দিয়ে। চাহ জনগোষ্ঠীসকলক কেৱল ভোট বেংক হিচাপে ৰাখিছে, কেৱল ফ্লেগ, পষ্টাৰহে লগাবলৈ দিয়াৰ পৰিৱৰ্তে ডাঙৰ কামৰ ঠিকাবোৰ কৰিবলৈ নিদিয়াৰ অভিযোগো তেঁওলোকে উত্থাপন কৰে। ইফালে প্ৰণৱ তাঁতীক যদি পুনৰ মণ্ডল সভাপতিৰ মৰ্যাদা ঘূৰাই নিদিয়ে তেন্তে বাগানত মন্ত্ৰী ফুকনৰ প্ৰৱেশ নিষিদ্ধ কৰিব বুলি বিজেপিৰ কৰ্মীসকলে হুংকাৰ প্ৰদান কৰে।

# গেলেকীত চোৰৰ সন্ত্ৰাস! কেইবালক্ষাধিক টকাৰ সোণৰ অলংকাৰ লৈ উধাও চোৰ

**ই-সংবাদ, গেলেকী, ২৬ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত শেষতীয়াকৈ চোৰৰ উপদ্ৰৱৰ ফলত সাধাৰণ জনতাৰ নিদ্ৰা হৰণ হৈছে। কোন মুহূৰ্তত ঘৰৰ মূল্যবান সা-সামগ্ৰী চোৰে লৈ যায় তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। কালি আবেলি গেলেকী চাৰিআলিৰ বৰতাণী গাঁৱৰ নিবাসী জিতুল গগৈৰ বাসগৃহত চলে চোৰৰ অভিযান। পাঁচ লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ লৈ উধাও হয় চোৰ। ঘটনাৰ বিৱৰণী মতে, কালি আবেলি ২ মান বজাত জিতুল গগৈয়ে পৰিয়ালসহ শিৱসাগৰলৈ বজাৰ কৰিবলৈ বুলি ওলাই গৈছিল আৰু নিশা প্ৰায় ৮ মান বজাত ঘৰলৈ ঘূৰি আহিছিল। এই সময়ছোৱাৰ ভিতৰতে চোৰে চলালে চাফাই অভিযান। ঘূৰি আহি জিতুল গগৈয়ে ঘৰৰ ভিতৰত সোমাই দেখে যে ঘৰৰ ভিতৰৰ সামগ্ৰী খেলিমেলি হৈ আছে লগতে ঘৰৰ পিছফালৰ দুৱাৰখনো খোলা আছে। পৰৱৰ্তী সময়ত শোৱনি কোঠালৈ গৈ দেখে যে ষ্টীলৰ আলমীৰা ভাঙি চোৰে সোণৰ মূল্যৱান অলংকাৰ লৈ গৈছে। এই দৃশ্য দেখি হুৱাদুৱা লাগে আৰু ততাতৈয়াকৈ গেলেকী আৰক্ষীক খবৰ দিয়ে জিতুল গগৈয়ে। নিশাই ঘটনাস্থলীত গেলেকী আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ইতিমধ্যে ভুক্তভোগী পৰিয়ালে গেলেকী থানাত এজাহাৰ দাখিল কৰিছে এই সন্দৰ্ভত। চোৰৰ সন্ধানত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# দৰং জিলা দেৱ দামোদৰ সংঘৰ সভাপতি দামোদৰ গোস্বামীৰ মৃত্যু

**ই-সংবাদ, মঙলদৈ, ২৬ ডিচেম্বৰঃ** দৰং জিলাৰ হাজৰিকা পাৰা নিবাসী বিশিষ্ট সমাজসেৱক তথা দৰং জিলা দেৱ দামোদৰ সংঘৰ সভাপতি দামোদৰ গোস্বামীৰ আজি দুপৰীয়া পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ। মঙলদৈ হাজৰিকা পাৰাত অৱস্থিত ঐতিহাসিক ভাগৱতী সত্ৰৰ বিগত বাৰ বছৰে সভাপতিৰ আসন অলংকৃত কৰা গোস্বামীয়ে জ্যেষ্ঠ নাগৰিক সন্থা, ৰাইজিং ক্লাব, পূৰ্ণানন্দ স্মাৰক সংগ্ৰাহলয়, হাজৰিকা পাৰা সাহিত্য সভা, হাজৰিকা পাৰা কোঅপাৰেটিভ ষ্টোৰ, দৰং জিলা ব্ৰাহ্মণ সমাজ দৌল গুৰি বিষ্ণু মন্দিৰৰ, দক্ষিণ মঙলদৈ উন্নয়ন সমিতি আদিৰ সৈতে জড়িত হৈ আছিল। বুধবাৰে হঠাতে তেখেত হৃদৰোগত আক্ৰান্ত হোৱাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও আজি দুপৰীয়া ২ বাজি ৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মঙলদৈ বিশিষ্ট সাংবাদিক, মঙলদৈ প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক দেৱব্ৰত গোস্বামীৰ পিতৃ দামোদৰ গোস্বামীৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে তেখেতৰ গুণ মুগ্ধই তেখেতৰ বাসগৃহত ভিৰ কৰে। ঢেকীয়াজুলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ পৰা কাননগো হিচাপে অৱসৰ গ্ৰহণ কৰা গোস্বামীৰ মৃত্যুত দৰং জিলা দেৱদামোদৰ সংঘ, আছু, সাহিত্য সভা, মঙলদৈ প্ৰেছ ক্লাব, দৰং জিলা বাৰ্তা জীৱী সংঘ, জ্যেষ্ঠ নাগৰিক সন্থা আদি গভীৰ শোক প্ৰকাশ কৰিছে। তেখেতৰ মৃত্যুত দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক ড০ জয়নাথ শৰ্মা, মঙলদৈ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা,আছুৰ কেন্দ্ৰীয় উপ-সভাপতি খনিন্দ্ৰ ৰাজবংশী জিলা আছুৰ সভাপতি ৰাজু শৰ্মা, সম্পাদক হৃদয় বৰুৱা, দৰং জিলা সাহিত্য সভাৰ সভাপতি ৰজনীকান্ত নাথ, হাজৰিকা পাৰা সাহিত্য সভাৰ সম্পাদক মুকেশ ডেকা, যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভৰেশ কাকতি, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতি আৰু সম্পাদক লক্ষীনন্দন কলিতা, অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, উপ-সভাপতি অঞ্জন কুমাৰ শৰ্মা, সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, দেৱ দামোদৰ সংঘৰ কেন্দ্ৰীয় সভাপতি অভয় বৰ্মন, জিলা সম্পাদক ধীৰেণ শৰ্মা, সহকাৰী সম্পাদক মহেশ গোস্বামী, বিশ্ব ব্ৰাহ্মণ ফেডাৰেচনৰ অসম প্ৰান্তৰ সভাপতি সুনীল কুমাৰ গোস্বামী, হাজৰিকা ৰাইজিং ক্লাবৰ সভাপতি হৰেশ্বৰ চহৰীয়া আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেখেতে পত্নী, পুত্ৰ বোৱাৰী, নাতিনীৰ লগতে জী-জোঁৱাইক ইহ-সংসাৰত এৰি থৈ যায়।



ডিব্ৰুগড়ত প্ৰশান্ত ফুকনৰ বিৰুদ্ধে প্ৰতিবাদ

## আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি আৰম্ভ কৰিছে তদন্ত

# আগমনিৰ ভাৰাঘৰত মহিলাৰ মৃতদেহ উদ্ধাৰ, স্বামীয়ে হত্যা কৰি পলায়নৰ সন্দেহ

**ই-সংবাদ, গোলকগঞ্জ, ২৬ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত কালডোৱা প্ৰথমখণ্ড গাঁৱত বৃহস্পতিবাৰে সন্ধিয়া মেহবুব আলম চৌধুৰীৰ ভাৰাঘৰত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত মহিলাগৰাকী গৌৰীপুৰ থানাৰ শামচৰণেৰকুটীৰ এনামুল হকৰ পত্নী উম্মে ৰাবিয়া চুলতানা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ডেৰ বছৰ পূৰ্বে পৰিয়ালৰ লোকৰ মতৰ বিৰুদ্ধে এনামুল হক আৰু উম্মে ৰাবিয়া চুলতানা ঘৰৰ পৰা পলাই বিবাহপাশত আৱদ্ধ হয়। বিয়াৰ পিছত যুৱকজনৰ পৰিয়ালে তেওঁলোকক স্বীকাৰ কৰে যদিও যুৱতীৰ পৰিয়ালে মানি ল'বলৈ অস্বীকাৰ কৰে। পৰিয়ালৰ ভয়তে দুয়ো বাহিৰত আছিল। ছয় মাহৰ পৰা কালডোৱা প্ৰথমখণ্ড গাঁৱৰ মেহবুব আলমৰ ঘৰত ভাৰাতীয়া হিচাপে থাকি যুৱতীগৰাকীয়ে এখন ব্যক্তিগত মাধ্যমৰ বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে ঘৰুৱা শিক্ষকতা কৰি আছিল। ইয়াৰ বিপৰীতে যুৱকজনে ৰাজমিস্ত্ৰীৰ কামত সৰহভাগ দিন ঘৰৰ বাহিৰত আছিল। ঘৰখনত থাকিলেও আন ভাৰাতীয়াসকলৰ লগত খুব এটা ভাল সম্পৰ্ক নাছিল। বুধবাৰে সন্ধ্যা প্ৰায় ৭ বজাত এনামুল হকে আন ভাৰাতীয়া এজনক ফোন কৰি জনায় যে তেওঁৰ পত্নীয়ে চিপ লৈ আত্মহত্যা কৰিছে। লগে লগে এই খবৰ ঘৰৰ গৰাকী মেহবুব আলমক জনোৱা হয়।মেহবুবে আগমনি আৰক্ষীক অৱগত কৰাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘৰৰ ভিতৰত সোমাই মৃতদেহ মজিয়াত পৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। আৰক্ষীয়ে তৎপৰতাৰে তদন্ত আৰম্ভ কৰে। মৃতদেহৰ ডিঙিত আঘাতৰ চিন স্পষ্ট হৈ আছে। মৃতদেহৰ কাষত মোবাইল ফোনৰ চাৰ্জাৰৰ দুডাল একেলগ কৰি বন্ধা অৱস্থাত উদ্ধাৰ হোৱাত হত্যাকাৰীয়ে চাৰ্জাৰেৰে মহিলাগৰাকীক ডিঙিত মেৰিয়াই হত্যা কৰা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। ইফালে, পৰিয়ালৰ লোকে ৰাবিয়া চুলতানাক স্বামী এনামুল হকে হত্যা কৰা বুলি অভিযোগ কৰিছে। পৰিয়ালৰ লোকৰ অভিযোগ মতে, বিয়াৰ পিছৰে পৰা উম্মে ৰাবিয়া চুলতানাই টিউচন কৰি সংসাৰ পোহপাল দি আহিছে। ইয়াৰ বিপৰীতে এনামুলে কোনো কাম নকৰি অনাই বনাই ঘুৰি ফুৰে। ইয়াকে লৈ দুয়োৰে মাজত প্ৰায় কাজিয়া সৃষ্টি হৈছিল। কাজিয়াৰ পৰিণতিতে স্বামীয়ে ৰাবিয়া চুলতানাক হত্যা কৰা বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। ইপিনে এই ঘটনাৰ পিছতে পলাতক হৈ আছে এনামুল। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি নিশাৰ ভিতৰতে মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।



তামুলপুৰত জবমেলা আৰু লোন মেলাৰ সফল সামৰণি, ফটোঃ ই-সংবাদ, তামুলপুৰ

# জ্যেষ্ঠ চিকিৎসা পৰিদৰ্শক ডাঃ প্ৰদীপ লহকৰৰ ব্ৰাহ্মাজান বাগিচাত স্বাস্থ্য সজাগতা সভা

**ই-সংবাদ, গহপুৰ, ২৬ ডিচেম্বৰঃ** ৰাজ্যখনত চলি থকা শীত কালৰ হিম চেঁচা বতাহ আৰু অতিমাত্ৰা হাড় কপোৱা ঠাণ্ডাৰ সময়ত চাহ শ্ৰমিকসকলৰ মাজত সাম্ভাব্য ৰোগ-ব্যাধিৰ সজাগ আৰু সচেতনতা অনাৰ ক্ষেত্ৰত কালি হঠাৎ গহপুৰ সমজিলাৰ বহু কেইখন চাহ-বাগিচাত আহি উপস্থিত হয় বাগিচাসমূহৰ চিকিৎসা পৰিদৰ্শক ডঃ প্ৰদীপ লহকৰ। পৰিদৰ্শকগৰাকীয়ে গহপুৰ সমজিলাৰ ডফলাগড়, বুৰৈ, নয়া-ঘগৰা, নিউ-পুৰুপবাৰীকে ধৰি বহু কেইখন চাহ বাগিচা পৰিদৰ্শন কৰি বাগিচাসমূহৰ পৰিচালকসকলক কলঘৰত কাম কৰা শ্ৰমিকৰ জীৱন সু-নিশ্চিতকৰণ, কীটনাশক ঔষধ স্প্ৰে' কৰা কৰ্মীসকলক প্ৰয়োজনীয় সকলো ধৰণৰ সামগ্ৰী যোগান ধৰা, নিৰক্ষৰ চাহ শ্ৰমিকসকলৰ প্ৰসূতিকালীন সময়ছোৱা সকলো চৰকাৰী সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত কৃপনালি নকৰা, বিশুদ্ধ খোৱা পানী যোগান, নলা-নৰ্দমাসমূহ পৰিস্কাৰকৰণকে ধৰি শ্ৰমিকৰ জীৱন সু-নিশ্চিতকৰণৰ বহ কেইটা পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰি ব্ৰহ্মাজান চাহ-বাগিচাত স্বাস্থ্য সেৱা এক সজাগতা সভা অনুষ্ঠিত হয়। অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ অৰুণ দ্বীপৰ সভাপতিত্ব অনুষ্ঠিত সভাখনিত ব্ৰহ্মাজান চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক মনমোহন বোমৰহ, আটছাৰ বিশ্বনাথ জিলাৰ সাধাৰণ সম্পাদক নিলোৎপল ৰবিদাস, আটছাৰ গহপুৰ শাখাৰ সাধাৰণ সম্পাদক দ্ৰোণ নাগ, সহঃ সম্পাদক বীৰ্জলাল বাঘ, উড়িয়া ছাত্ৰ সমাজৰ সাধাৰণ সম্পাদক পংকজ মহানন্দ, চাহ মজদুৰ সংঘ হেলেম শাখাৰ সম্পাদক পংকজ দাস, এ চি এম এছ, এ চি কে এছ আৰু চিকিৎসা বিষয়া আৰু কৰ্মচাৰী সকলে উক্ত সভাত অংশ গ্ৰহণ কৰে। উক্ত সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ চিকিৎসা পৰিদৰ্শক ডাঃ লহকৰে ৰাজ্য চৰকাৰে বাগিচাসমূহলৈ আগবঢ়োৱা সকলো স্বাস্থ্য সম্পৰ্কীয় ব্যৱস্থা ৰখাৰ লগতে Assam Plantation Labour Act.ৰ অধীনৰ সকলো ঔষধ-পাতি বাগিচাসমূহত উপলব্ধৰ ব্যৱস্থা কৰিবলৈ বাগিচা কৰ্তৃপক্ষক আহ্বান জনায়। চাহ জনজাতি ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলাৰ সাধাৰণ সম্পাদক নিলোৎপল ৰবিদাসে বিষয়াগৰাকীৰ এন পদক্ষেপৰ শলাগ লোৱাৰ লগতে বিষয়াগৰাকীৰ কাৰ্যকালত বাগিচাসমূহত স্বাস্থ্য সেৱাত পূৰ্বৰ তুলনাত কিছু উত্তৰণ ঘটা বুলি উল্লেখ কৰে।

# মুকালমুৱাৰ লাউপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত সাংস্কৃতিক শোভাযাত্ৰা

**ই-সংবাদ, মুকালমুৱা, ২৬ ডিচেম্বৰঃ** বৰক্ষেত্ৰীৰ ঐতিহ্যমণ্ডিত বিহগী কবি ৰঘুনাথ চৌধুৰীৰ জন্ম গাঁৱত স্থাপিত লাউপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভা বৃহস্পতিবাৰৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভাৰ বৃহস্পতিবাৰে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে জয়ন্ত কুমাৰ বৈশ্যই। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি শ্বহীদ তৰ্পণ কৰে ধাৰেশ্বৰ মেধিয়ে। ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি পংকজ তালুকদাৰে। পুৱাৰে পৰা উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় লাউপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত।

# বিশ্বনাথঘাটত জাৰ্মানী, আমেৰিকাৰ বহু পৰ্যটক

**ই-সংবাদ, বিশ্বনাথ, ২৬ ডিচেম্বৰঃ** নতুন বছৰৰ আৰম্ভণিৰ পূৰ্বে বনভোজস্থলীত ভিৰ কৰা দেখিবলৈ পোৱা যায় অগণন বনভোজ প্ৰেমীক। সমান্তৰালভাৱে এতিয়া দেখিবলৈ পোৱা গৈছে বিদেশী পৰ্যটককো। আজি পানী জাহাজযোগে বিশ্বনাথঘাটত উপস্থিত হয় বিদেশী পৰ্যটকৰ এটি দল। জাৰ্মানী, ফ্ৰান্স, ইউকে আদি কৰি ভাৰতৰ কেইবাটাও ঠাইৰ পৰ্যটকো আহি উপস্থিত হয় মন্দিৰ নগৰী তথা ইতিহাস প্ৰসিদ্ধ বিশ্বনাথ ঘাটত। পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে চৰ্চাত থকা বিশ্বনাথ ঘাটত প্ৰতিবছৰে নৱেম্বৰ মাহৰ পৰা এপ্ৰিল মাহ পৰ্যন্ত দেখিবলৈ পোৱা যায় পানী জাহাজৰে অহা যথেষ্ট পৰ্যটকক। উল্লেখ্য যে আজি উপস্থিত হোৱা পৰ্যটকৰ দলটোৱে অসমীয়াৰ আৱেগ বিহু নৃত্য উপভোগ কৰা লগতে তাঁত শাল আৰু তামোল-পাণৰ বিষয়ে বুজ লয়।



গুইজানত বীৰ লাচিত সেনাৰ ন-পুৰণি সতীৰ্থ সন্মিলনত শৃংখল চলিহাৰ ভাষণ, ফটোঃ ই-সংবাদ, ডুমডুমা

## নতুন সাহিত্য পৰিষদৰ শোণিতপুৰ জিলাৰ ৪৩সংখ্যক জিলা সন্মিলন

# ধৰণীধৰ দাস আৰু দিলীপ কুমাৰ বৰুৱালৈ ৰূপান্ত সেনানী বটাঁ

**ই-সংবাদ, চতিয়া, ২৬ ডিচেম্বৰঃ** বৰদিনৰ দিনটোক সাহিত্যৰ বৰদিনলৈ ৰূপান্তৰিত কৰি নতুন সাহিত্য পৰিষদ শোণিতপুৰ জিলা (অবিভক্ত)ই ৪৩সংখ্যক জিলা সন্মিলন বিহালীৰ নাচবৰ ৰংগমঞ্চত অনুষ্ঠিত কৰে। সভাপতি মণ্ডলী জ্ঞানেন্দ্ৰ চৰকাৰ, নিত্য উপাধ্যায়, ধনেশ্বৰ বৰাৰ দ্বাৰা পৰিচালিত ৪৩ সংখ্যক সন্মিলনত অবিভক্ত শোণিতপুৰ জিলাৰ শাখাসমূহৰ পৰা ১২২ গৰাকী প্ৰতিনিধিয়ে অংশ লয়। পুৱা ৯.০০ বজাত জিলা সভাপতি জ্ঞানেন্দ্ৰ সৰকাৰে পতাকা উত্তোলন কৰি সন্মিলনৰ শুভাৰম্ভ কৰে। দিনজোৰা প্ৰতিনিধি সভাৰ অন্তত তিনি শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা মুকলি সভাত জামুগুৰিহাটৰ বিশিষ্ট চিত্ৰশিল্পী ধৰনীধৰ দাসক 'শোণিতপুৰ গৌৰৱ ২০২৪' আৰু বিহালীৰ সাহিত্যিক দিলীপ কুমাৰ বৰুৱাক 'ৰূপান্তৰৰ সেনানী ২০২৪' বঁটা প্ৰদান কৰা হয় । দুইগৰাকীকে জিলাখনৰ সাহিত্য পৰিষদৰ শাখাসমূহৰ পৰা জিলাৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মান্যবস্ত্ৰৰে আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা পত্ৰ আৰু কৃষক বিপ্লৱী বিপিন বৰুৱা সোঁৱৰণী, শিল্পী ভৱেন হাজৰিকা সোঁৱৰণী স্মাৰক প্ৰদান কৰা হয়। বিহালী অঞ্চলৰ সমৃদ্ধিশালী ইতিহাসক তুলি ধৰি অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰবোধ বৰুৱাই লিখিত অভিভাষণ আগবঢ়ায়। নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক পৰ্যবেক্ষক অধ্যাপক হেম বহাদুৰ ছেত্ৰী আৰু ডঃ চুলতান আলী আহমেদে জ্যোতি-বিষ্ণু-ফণী শৰ্মা, লক্ষ্মীধৰ শৰ্মা, কেশৱ মহন্ত আদিয়ে সমৃদ্ধ কৰা শোণিতপুৰীয়া প্ৰগতিশীল সাহিত্য ইতিহাসৰ ওপৰত আলোচনা কৰে। সন্মিলনত শোণিতপুৰ জিলাৰ মুখপত্ৰ 'শোণিতলেখা' আৰু ডঃ ভক্তপ্ৰসাদ গৌতমৰ 'লক্ষ্মীধৰ শৰ্মা' গ্ৰন্থ ৰাজ্যিক পৰ্যবেক্ষকদ্বয়ে মুকলি কৰে। নতুন সাহিত্য পৰিষদ শোণিতপুৰ জিলা সমিতিয়ে ৪৩ সংখ্যক জিলা সন্মিলনৰ সফলতাৰ বাবে অভ্যৰ্থনা সমিতিৰ জৰিয়তে বিহালীবাসী ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আৰম্ভ

**ই-সংবাদ, মৰিয়নী, ২৬ ডিচেম্বৰঃ** শুকুৰবাৰৰ পৰা যোৰহাট জিলাৰ চেলেংহাটৰ ডামচাও তিলক গগৈ ক্ষেত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন। এই উপলক্ষে চেলেংহাটত এক উদুলি মুদলি পৰিৱেশ। ইতিমধ্যে অভ্যৰ্থনা সমিতিয়ে যুদ্ধকালীন প্ৰস্তুতিৰে অধিৱেশনস্থলী সাজু কৰি তুলিছে। অধিৱেশনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা গছপুলি ৰোপনেৰে কাৰ্যসূচী মুকলি কৰিব পূব যোৰহাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মাননাং ময়ূৰীমা মহনে। দিনৰ ১ বজাত খেক বান ফি আৰু সন্ধিয়া ৬ বজাত আও লা জন মিং অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা ১০ বজাত প্ৰতিনিধি শিবিৰ দ্বাৰ মুকলি কৰিব আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মানচাও নিলোৎপল গগৈয়ে। পুৱা ১০.৩০ বজাত ফুৰালুং অনুষ্ঠান। পুৱা ১১ বজাত প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব জিলা আয়ুক্ত জয় শিৱানীয়ে। দিনৰ ১ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃষি বিষয়া ডঃ বৰুণ বৰগোহাঞিয়ে। বিয়লি ৪.৩০ বজাৰ পৰা 'অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত টাই আহোমসকলৰ অৱদান' শীৰ্ষক এখন বুৰঞ্জীমূলক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৫ বজাত প্ৰথম মুকলি সভা আৰু স্থানীয় বিশিষ্ট ব্যক্তিৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ গৌৰৱ গগৈ, বিধায়ক অখিল গগৈকে ধৰি কেইবাগৰাকীও বিধায়ক আৰু জাতীয় দল-সংগঠনৰ নেতৃত্বই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্ধিয়া ৬ বজাত জনগোষ্ঠীয় সাজপাৰ প্ৰদৰ্শন আৰু টাই লোক নৃত্য পৰিবেশন হ'ব। নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে জনপ্ৰিয় সংগীত শিল্পী জ্যোতিমালা বুঢ়াগোহাঁয়ে গীত পৰিবেশন কৰিব। শেষৰ দিনা খ্ৰীঙফা অৰ্থাৎ পতকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰিব পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি চাও অতুল ফুকনে। পুৱা ৯.৩০ বজাত মৈডাম তৰ্পনৰ পাছতে বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। আনহাতে দিনৰ ১২.৩০ বজাত এহেজাৰ গৰাকী শিল্পীৰ দ্বাৰা পৰিবেশিত টাই লোক নৃত্য 'লাই লুং খাম' উদ্বোধন কৰিব সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই। দুপৰীয়া ১ বজাত গ্ৰন্থ উন্মোচন, সম্বৰ্ধনা, বঁটা প্ৰদান আৰু দ্বিতীয় মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী মানচাও পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী যোগেন মহন, অজন্তা নেওগকে ধৰি বহু কেইগৰাকী সাংসদ, মন্ত্ৰী আৰু বিধায়ক উপস্থিত থাকিব বুলি জনাইছে আদৰণি সমিতিয়ে।

# গা-লৰিল গোলকগঞ্জ আৰক্ষীৰ! অৱশেষত ৰুজু অপহৃতা যুৱতীৰ গোচৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৬ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱৰ অপহৃতা যুৱতীৰ গোচৰ ল'বলৈ আৰক্ষীয়ে অস্বীকাৰ কৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছতে গা-লৰে গোলকগঞ্জ আৰক্ষীৰ। অৱশেষত যুৱতীগৰাকীয়ে দিয়া গোচৰ ৰুজু কৰে। অভিযোগ মতে, যুৱতীগৰাকীক উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড উচিতা গাঁৱৰ সিৰাজুল হকৰ সোতৰ বছৰীয়া পুত্ৰ গোল হক সেখে বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। বিয়াৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ বাবেই চৈধ্য ডিচেম্বৰৰ সন্ধিয়া পিতা-পুত্ৰই যুৱতীগৰাকীক অপহৰণ কৰে। বিন্নাচৰাৰ হাফিজুৰ ৰহমানৰ ঘৰত পিতৃ সিৰাজুলে পুত্ৰৰ হতুৱাই বলাৎকাৰ কৰাৰ অভিযোগ তোলে যুৱতীগৰাকীয়ে। সোতৰ ডিচেম্বৰত কন্যাৰ সন্ধান পাই পিতৃয়ে থানাত এজাহাৰ দিবলৈ যায় যদিও ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই দাবি-ধমকি দি খেদি পঠিয়ায়। ১৮ ডিচেম্বৰত বিন্নাচৰাত এখন মেল বহে। মেলত ষাঠি হাজাৰ টকা লৈ যুৱতীক ওভতাই ল'বলৈ পিতৃক হেঁচা দিয়ে। যুৱতীগৰাকীক ল'বলৈ অস্বীকাৰ কৰাত পিছদিনা গোল হকৰ পিতৃয়ে যুৱতীগৰাকীক গোলকগঞ্জ থানাত হাজিৰ কৰে। নিশা বলপূৰ্বক যুৱতীৰ পিতৃক ঘৰৰ পৰা উঠাই আনি পিতৃৰ হাতত যুৱতীক চমজাই দিয়ে। বিশ ডিচেম্বৰত যুৱতীগৰাকী এজাহাৰ দিবলৈ যোৱাত পুনৰ দাবি-ধমকি দি ঘূৰাই পঠায়। অৱশেষত সন্ধিয়া বিভিন্ন কৰ্কথনা কৰি এজাহাৰ লয় যদিও গোচৰ ৰুজু কৰাৰ পৰা বিৰত থাকে। বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছত আজি গোচৰ ৰুজু কৰে যদিও অভিযুক্তৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, গোচৰটো বিপথে পৰিচালিত কৰাৰ বাবে স্বাৰ্থান্বেষী মহলৰ নিৰ্দেশত যুৱতীগৰাকীয়ে নাবালক যুৱকজনক ফুচলাই নিয়া বুলি যুৱকৰ পৰিয়ালে যুৱতীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

# তামুলপুৰত জব মেলা আৰু লোণ মেলাৰ সফল সামৰণি,মুঠ ৩১.৩৮ কোটি টকাৰ ৭৮১ টা লোণ মঞ্জুৰ

**ই-সংবাদ, তামুলপুৰ, ২৬ ডিচেম্বৰঃ** আজি তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত যুৱপ্ৰজন্মৰ জীৱন-জীৱিকাৰ প্ৰতি লক্ষ্য ৰাখি জব মেলা আৰু লোণ মেলা অনুষ্ঠিত হয়। ইয়াৰ সমান্তৰালভাৱে নৱগঠিত জিলাখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে 'তামুলপুৰ গ'ল্ড ইনিচিয়েটিভ' শীৰ্ষক এটি গুৰুত্বপূৰ্ণ প্ৰকল্পৰো শুভ উদ্বোধন কৰা হয়। জিলা প্ৰশাসনৰ হৈ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ উদ্যোগ আৰু বিভিন্ন বিভাগ তথা বেংকৰ সহযোগত আজি আয়োজিত লোণ মেলাত মুঠ ৩১.৩৮ কোটি টকাৰ ৭৮১ টা লোন মঞ্জুৰ কৰা হয়, যিবোৰ চৰকাৰী আঁচনিৰ সমৰ্থিত লোণ বিভিন্ন বিভাগত পেণ্ডিং হৈ আছিল। আনহাতে, আজিৰ লোণ মেলাত ১.২ কোটি টকাৰ ৬২টা লোণ বিবেচনাধীন হৈ আছে। ষ্টেট বেংক অৱ ইণ্ডিয়া, অসম গ্ৰামীণ বিকাশ বেংক, এইচ ডি এফ চি, ইউকো বেংক, চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া, কানাড়া বেংক, এক্সিছ বেংক আৰু ইণ্ডিয়ান বেংকে এই লোণ মেলাত অংশগ্ৰহণ কৰিছিল। ইয়াৰ বিপৰীতে বিভাগসমূহ আছিল- অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, কৃষি, মীন, উদ্যোগ আৰু বাণিজ্য, পশুপালন আৰু এ পি ডি চি এল। আনহাতে, এ এছ ডি এম আৰু এন আৰ ডি এছৰ সহযোগত জিলা প্ৰশাসনে আয়োজন কৰা আজিৰ জব মেলাত ১৮টা কোম্পানীৰ লগতে ৫৫০গৰাকী প্ৰাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে জিলাখনৰ বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজত উদ্যোগ আদিৰ পৰিৱেশ গঢ়ি তোলাৰ মানসিকতাৰে জিলা প্ৰশাসনে মুকলি কৰা 'তামুলপুৰ গ'ল্ড ইনিচিয়েটিভ'-এ ১৩ টা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম হাতত লৈছে। এই সম্পৰ্কে জিলা আয়ুক্তগৰাকীয়ে কয় যে তামুলপুৰ গ'ল্ড হৈছে আত্মনিৰ্ভৰশীলতা আৰু সৰ্বাংগীন বিকাশৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। আমি একেলগে তামুলপুৰক প্ৰগতি আৰু সুশাসনৰ আদৰ্শ জিলালৈ ৰূপান্তৰিত কৰিব পাৰো। স্থানীয় বিধায়ক জলেন দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা আজিৰ অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাস, জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, মনোনীত পাৰিষদ হেমন্ত ৰাভা, এছ ডি আৰ গ্ৰুপৰ ছিনিয়ৰ ডাইৰেক্টৰ মুকুল ডেকা, অসম গ্ৰামীণ জীৱিকা অভিযানৰ এছ পি এম পল্লৱ গোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ উপৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অসংখ্য যুৱক-যুৱতীও উপস্থিত থাকে।

# মৈৰাবাৰীৰ আলি পুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ অতিৰিক্ত বিদ্যালয় গৃহ উদ্বোধন

**ই-সংবাদ, মৈৰাবাৰী, ২৬ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত আলি পুখুৰী মধ্য ইংৰাজী বিদ্যালয় পৰিচালনা সমিতিৰ উদ্যোগত বৃহস্পতিবাৰে বিদ্যালয় গৃহ উদ্বোধনী সভা অনুষ্ঠিত হয়। সভাখনত লাহৰীঘাট শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা খণ্ড বিষয়া বাহাৰুল ইছলাম, গাণিতিক বিষয়া নৱজ্যোতি বৰা, লোচনাবৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক হবিবুৰ ৰহমান, চি আৰ চি চি পংকজ মেধি, চি আৰ চি চি মানিক পালৰ লগতে বহুকেইজন স্থানীয় গণ্যমান্য ব্যক্তি উপস্থিত থাকে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাৰ আদৰণি অনুষ্ঠান পৰিচালনাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক আক্তাৰুল হকে। লাহৰীঘাট শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা খণ্ড বিষয়া বাহাৰুল ইছলামে সমস্যাৰে জৰ্জৰিত বিদ্যালয়খনৰ উন্নয়নৰ দিশত নতুন ৰূপ দিবলৈ সক্ষম হোৱা প্ৰধান শিক্ষক আক্তাৰুল হকক ভাষণ প্ৰসংগত উৎসাহিত কৰাৰ লগতে শিক্ষক, অভিভাৱকৰ মাজত প্ৰকৃতাৰ্থত সমন্বয় সম্ভৱ হ'লে শিক্ষানুষ্ঠানৰ উন্নয়নমূলক কামকাজ ক্ষীপ্ৰ গতিত আগবাঢ়ে বুলি মন্তব্য কৰে। বিদ্যালয়খনৰ শৈক্ষিক আৰু আন্তঃগাঁথনি উন্নয়ন পৰ্যবেক্ষণ কৰি সন্তুষ্টি প্ৰকাশ কৰে প্ৰাথমিক শিক্ষা খণ্ড বিষয়াগৰাকীয়ে। নৱনিৰ্মিত অতিৰিক্ত বিদ্যালয় গৃহ শুভ উদ্বোধনো কৰে প্ৰাথমিক শিক্ষা খণ্ড বিষয়া বাহাৰুল ইছলামে।

# ৰাজ্যিক পৰ্যায়ত বীৰ বাল দিৱস-২০২৪ উদযাপন

**ই-সংবাদ, মিৰ্জা, ২৬ ডিচেম্বৰঃ** ৰাজ্যিক পৰ্যায়ত বীৰ বাল দিৱস ২০২৪ আজি দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ আৰ বি হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰা হয় । শিখ ধৰ্মলম্বী গুৰু গোবিন্দ সিঙৰ পুত্ৰ বীৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফতেক সিং দুই চাহেবে জাদে দেশৰ ধৰ্মসংস্কৃতি ৰক্ষাৰ স্বাৰ্থত নিজৰ জীৱন আত্মবলিদান দিছিল, তেখেতসকলৰ ত্যাগ আৰু বীৰত্ব জীয়াই ৰখাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ২৬ ডিচেম্বৰ দিনটো দেশজুৰি বীৰ বাল দিৱস হিচাপে পালন কৰাৰ কথা ঘোষণা কৰে। সমান্তৰালভাৱে আজিৰ এই বিশেষ দিনটোত পলাশবাৰী সমষ্টিৰ আৰ বি হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত বীৰ বাল দিৱস অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত বীৰত্ব আৰু সাহসৰ পৰিচয় দি নাম উজলাবলৈ সক্ষম হোৱা অসমৰ বহু শিশুক বঁটা প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে মন্ত্ৰী অজন্তা নেওগ, সাংসদ বিজুলী কলিতা মেধি, কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰকে ধৰি ভালেসংখ্যক বিশিষ্ট লোক। উল্লিখিত উক্ত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগে কয় যে শক্তিশালী জাতি গঠনৰ ক্ষেত্ৰত বীৰত্ব আৰু দেশপ্ৰেমৰ ভূমিকা যথেষ্ট আছে। গতিকে এই অনুষ্ঠানৰ জৰিয়তে শিশুসকলক বীৰত্ব আৰু দেশপ্ৰেমৰ প্ৰতি উৎসাহিত কৰা আৰু শিক্ষা প্ৰদান কৰাৰ এক প্ৰচেষ্টা, যাতে শিশুসকলে দেশৰ বাবে তথা নিজেও বীৰত্ব, দেশপ্ৰেমৰ শিক্ষাৰে সুনাগৰিক হ'বলৈ সক্ষম হয়।

# ভূৰাগাঁও আৰক্ষীৰ অভিযানত হস্তনিৰ্মিত পিষ্টলসহ ধৃত দুজন



**ই-সংবাদ, লাহৰীঘাট, ২৬ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীয়ে আজি এক অভিযান চলাই হস্তনিৰ্মিত পিষ্টলসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। গোপন খবৰৰ ভিত্তিত ভূৰাগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত বৰগোঁহাইৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলে ফলিহামাৰী পামত আবুল কালামৰ ঘৰত অভিযান চলাই হস্তনিৰ্মিত পিষ্টল জব্দ কৰাৰ লগতে দুজনক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন হ'ল আবুল কালাম আৰু মাৰফাজুল ইছলাম। কি কাৰণত লোক দুজনে ঘৰত পিষ্টল ৰাখিছে জানিব পৰা নাই যদিও ভূৰাগাঁও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# সুলেখক কমল চন্দ্ৰ শৰ্মালৈ লক্ষ্মীনন্দন বৰা সোঁৱৰণী বঁটা প্ৰদান

**ই-সংবাদ, বেবেজীয়া, ২৬ ডিচেম্বৰঃ** নগাঁও জিলাৰ ৰহা নিবাসী সুলেখক, সমাজসেৱী তথা ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কমল চন্দ্ৰ শৰ্মালৈ এইবাৰ আগবঢ়োৱা হৈছে 'ড০ লক্ষ্মীনন্দন বৰা সোঁৱৰণী বঁটা'। আচলতে, সুদীৰ্ঘকাল ধৰি পৱিত্ৰ শিক্ষাবৃত্তিৰ লগতে সাহিত্য আৰু সামাজিক ক্ষেত্ৰখনত একাত্মভাৱে জড়িত থাকি সমাজলৈ আগবঢ়োৱা বহুমূলীয়া অৱদানৰ স্বীকৃতি স্বৰূপে কমল চন্দ্ৰ শৰ্মালৈ ৰাজ্যৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'অসম শিল্পী কানন'ৰ তৰফৰ পৰা আগবঢ়াইছে এই সন্মান। নগাঁও চহৰৰ পুলিচ ৰিজাৰ্ভ খেলপথাৰত যোৱা ২৪ ডিচেম্বৰৰ নিশা আয়োজিত অসম শিল্পী কাননৰ এক বিশেষ অনুষ্ঠানত আনুষ্ঠানিকভাৱে এই বঁটাটি প্ৰদান কৰা হয়। বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বঁটাটো গ্ৰহণ কৰি কমল চন্দ্ৰ শৰ্মাই পৰম সন্তুষ্টি লভাৰ কথা ব্যক্তি কৰি এনে সন্মানে সমাজৰ হকে সেৱা আগবঢ়োৱাত প্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। উল্লেখ্য যে, ইতিমধ্যে বহু অনুষ্ঠানৰ দ্বাৰা সন্মানিত হোৱা কমল চন্দ্ৰ শৰ্মাই ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰসায়ন বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰি পৰৱৰ্তী পৰ্যায়ত একেখন শিক্ষানুষ্ঠানৰ পৰাই ২০০৯ চনত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। শিক্ষাদানৰ সমান্তৰালভাৱে সাহিত্য চৰ্চাক অন্তঃকৰণেৰে ভালপোৱা কমল চন্দ্ৰ শৰ্মাই দীৰ্ঘদিনৰে পৰা নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চাত মনোনিৱেশ কৰি আহিছে। ইতিমধ্যে তেওঁৰ বহুসংখ্যক শিক্ষামূলক প্ৰবন্ধ, তত্ত্বগধুৰ লেখা বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পোৱাৰ লগতে তেওঁৰ সুদীৰ্ঘ শিক্ষা আৰু কৰ্ম জীৱনৰ কিছু বৰ্ণাঢ্য স্মৃতি সন্নিবিষ্ট কৰি 'এৰি অহা জীৱন এষণা' শীৰ্ষক এখনি গ্ৰন্থও তেওঁ লেখি উলিয়াইছে। তদুপৰি তেওঁ বৰ্তমান ৰহা অঞ্চলৰ কেইবাটাও অনুষ্ঠানৰ জৰিয়তে শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয় ৰূপত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছে। এইগৰাকী বহু গুণধাৰী ব্যক্তিৰ এই বঁটা লাভ কৰাৰ খবৰে এতিয়া স্থানীয় অঞ্চলবাসী ৰাইজক উৎফুল্লিত কৰি তুলিছে।



সুলেখক কমল চন্দ্ৰ শৰ্মালৈ লক্ষ্মীনন্দন বৰা সোঁৱৰণী বঁটা প্ৰদান

# 'সমাজ সৌৰভঃ ড০ নৃপেন চন্দ্ৰ দাস' শীৰ্ষক স্মাৰক গ্ৰন্থ উন্মোচন প্ৰস্তুতি

**ই-সংবাদ, হাজো, ২৬ ডিচেম্বৰঃ** সত্ৰনগৰী ৰামদিয়াৰ বিশিষ্ট সমাজ কৰ্মী ড০ নৃপেন চন্দ্ৰ দাসৰ জীৱন আৰু কৰ্মৰাজি যুগমীয়া কৰি ৰাখিবলৈ পৰিয়াল আৰু ৰাইজৰ সহযোগত অহা ২৮ ডিচেম্বৰত গুৱাহাটী বনগাঁওস্থিত ড০ এন চি দাস কমাৰ্চিয়েল কমপ্লেক্স বেলতলাত এখনি স্মাৰক গ্ৰন্থ উন্মোচনৰ আয়োজন কৰা হৈছে। তদুপলক্ষে সেইদিনাৰ কাৰ্যসূচী অনুসৰি পুৱা স্মৃতি তৰ্পণ কৰাৰ পিছত স্মাৰক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হ'ব। সভাত সভাপতিত্ব কৰিব ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ ৰামচৰণ ভৰালীয়ে। সভাখন উদ্বোধন কৰিব গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱাই। সভাত নিৰ্দিষ্ট বক্তা ৰূপে অংশগ্ৰহণ কৰিব ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাসে। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব ক্ৰমে বিশিষ্ট সাহিত্যিক তথা শংকৰী কলা সংকৃতিৰ সাধক তিলক চন্দ্ৰ মজুমদাৰ আৰু পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ বিৰিঞ্চি কুমাৰ দাসে। 'সমাজ সৌৰভঃ ড০ নৃপেন চন্দ্ৰ দাস' শীৰ্ষক নামেৰে নামাকৰণ কৰা স্মাৰক গ্ৰন্থখন উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক ময়ূৰ বৰাই। সভাত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব ক্ৰমে সংস্কৃতিৰ দাপোণ আলোচনীৰ মুখ্য সম্পাদক তথা এমট্ৰনৰ উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, প্ৰতিমা বৰুৱা, চিন্তামণিৰ সম্পাদক প্ৰভাত চন্দ্ৰ দাস আৰু বিশিষ্ট সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ দাসে। অনুষ্ঠানত প্ৰয়াত নৃপেন চন্দ্ৰ দাসৰ পৰিয়ালৰ হৈ দ্বিজেন্দ্ৰ নাথ দাস আৰু স্বপ্না দাসে শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উঃ মাঃ বিদ্যালয়ৰ প্ৰস্তাৱিত মডেল স্কুলৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ

**ই-সংবাদ, বেবেজীয়া, ২৬ ডিচেম্বৰঃ** নগাঁও জিলাৰ বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰস্তাৱিত মডেল স্কুলৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি অনুষ্ঠান এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সম্পন্ন কৰা হয়। আয়তীৰ উৰুলি আৰু গায়ন-বায়নৰ মাংগলিক ধ্বনিৰ মাজেৰে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভৰ পিছতে অনুষ্ঠিত হোৱা সভাখনিত বিধায়ক ৰূপক শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাৰ নামত প্ৰতিষ্ঠা লাভ কৰা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নতুনকৈ আৰম্ভ হ'বলগীয়া মডেল স্কুলখনৰ পৰা গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল হ'ব বুলি মন্তব্য কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলকো নিষ্ঠা আৰু স'তৰাৰে নিজৰ দায়িত্ব পালন কৰি অঞ্চলটোৰ নৱপ্ৰজন্মক পোহৰ দেখুৱাবলৈ আহ্বান জনায়। বিদ্যালয়ৰ ছাত্ৰ চিন্ময় দেৱ গোস্বামীৰ দ্বাৰা বৰগীত পৰিৱেশনেৰে আৰম্ভ হোৱা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ অনিল শইকীয়াই। বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উপেন চন্দ্ৰ কলিতা(বোয়ন), বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, সমাজকৰ্মী ইন্দ্ৰমোহন বৰুৱাকে আদি কৰি অতিথিবৃন্দ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থকা সভাখনৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষক দিপাংক গিৰি গোস্বামীয়ে।

# জাজৰিত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে বিশাল প্ৰতিবাদ

**ই-সংবাদ, বেবেজীয়া, ২৬ ডিচেম্বৰঃ** সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সদস্যা তথা সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দলংঘাট ব্লক সমিতিৰ সম্পাদিকা আয়েফা বেগমৰ নেতৃত্বত বৃহস্পতিবাৰে নগাঁও জিলাৰ জাজৰিত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে বিশাল প্ৰতিবাদ আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে দিনৰ এঘাৰ বজাৰ পৰা বিয়লি চাৰি বজালৈ বৃহত্তৰ অঞ্চলটো পৰিভ্ৰমণ কৰাৰ লগতে বিভিন্ন স্থানত পথ সভা অনুষ্ঠিত কৰে। প্ৰতিবাদকাৰীসকলে 'স্মাৰ্ট মিটাৰৰ সংযোগৰ বিৰুদ্ধে সকলো ৰাইজ এক হওক', 'স্মাৰ্ট মিটাৰ নহয়, পুৰণি মিটাৰ বাহাল ৰাখক', 'আদানি-আম্বানীৰ নহয়, দুখীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰক', 'প্ৰতিটো পৰিয়ালক দুশ ইউনিট বিদ্যুত মাচুল ৰেহাই দিয়ক' দাবীৰে ৰাজপথ উত্তাল কৰি তোলাৰ লগতে গঞাৰাইজক সজাগ কৰি তোলে। কাৰ্যসূচীত গোলাপ বেগম, কুঞ্জ হীৰা, ৰূপা বেগম, জোৎস্না বেগমকে ধৰি পাঁচ শতাধিক মহিলাই অংশগ্ৰহণ কৰে। ইফালে, প্ৰতিবাদকাৰী সংগঠন দুটাই উক্ত অঞ্চলবোৰত বিদ্যুৎ যোগান ধৰা চৰাইবাহী বিদ্যুৎ উপ-সংমণ্ডলে জিৰ' বেলেঞ্চৰ মিটাৰ, স্মাৰ্ট মিটাৰ নহয় মাত্ৰ ম'বাইলত বিল আহে, এতিয়া বিনামূলীয়াকৈ এই মিটাৰ নলগালে পাছলৈ বাৰ হাজাৰ টকা ভৰিব লাগিব এনে কথাৰে মহিলাসকলক বুজাই স্মাৰ্ট মিটাৰ সংযোগ দিছে বুলি বিদ্যুৎ বিভাগৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। বিদ্যুৎ বিভাগৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়।

# ছাগলী চোৰক এৰি দিলে পুৰণিগুদাম আৰক্ষীয়ে

**ই-সংবাদ, পুৰণিগুদাম, ২৬ ডিচেম্বৰঃ** বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ লিংগাকাৰ ১২৬ ফুট উচ্চতাৰ মহামৃত্যুঞ্জয় মন্দিৰত মঙলবাৰে সন্ধ্যা স্থানীয় ৰাইজে হাতে-লোটে ধৰি দিয়া ছাগলী চোৰক নগাঁৰৰ পুৰণিগুদাম আৰক্ষীয়ে নিশাই এৰি দিয়াক লৈ এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এতিয়া পুৰণিগুদাম আৰক্ষীয়ে একাংশ চোৰক প্ৰশ্ৰয় দিয়া আৰম্ভ কৰিছে নেকি বুলিও স্থানীয় ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে, যোৱা ২৪ ডিচেম্বৰৰ সন্ধ্যা নগাঁৰৰ ভেৰভেৰিস্থিত মহামৃত্যুঞ্জয় মন্দিৰত এটা ছাগলী চুৰি কৰি ৰাইজৰ ৰোষত পৰিছিল চাৰিটাকৈ চোৰ। মন্দিৰত ভক্তই দান দিয়া ছাগলী লৈ উধাও হওঁতেই অষ্টম বেটেলিয়ানৰ NCC ত কৰ্মৰত চাৰি কেডাৰ ক্ৰমে মনোহৰ, অৰ্জুন, কিষাণ আৰু উৰ্মেদক হাতে-লোটে ধৰি স্থানীয় ৰাইজে পুৰণিগুদাম আৰক্ষীক খবৰ দিছিল। পাছত ঘটনাস্থলীত জনৈক কলিতা উপাধিৰ এগৰাকী সহ উপ-পৰিদৰ্শকৰ নেতৃত্বত পুৰণিগুদাম আৰক্ষীৰ এটা দল উপস্থিত হৈ চোৰ কেইটাক আটক কৰি লৈ যায়। কিন্তু পৰৱৰ্তী সময়ত আৰক্ষীয়ে চোৰ কেইটা আইনমতে কঠোৰ শাস্তি দিয়াৰ পৰিৱৰ্তে নিশাই থানাৰ পৰা মোকোলাই দিয়ে। যাক লৈ এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে স্থানীয় ৰাইজৰ মাজত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ কথা কোৱা সময়তে পুৰণিগুদাম আৰক্ষীয়ে কৰা এই নাভূত-নাশ্ৰুত কাণ্ডই এতিয়া সকলোৰে চকু কপালত তুলিছে।

# প্ৰসিদ্ধ সংস্কৃত পণ্ডিত, সাহিত্যিক তিলক চন্দ্ৰ শৰ্মা শাস্ত্ৰী অসুস্থ, আশু-আৰোগ্য কামনা

**ই-সংবাদ, গুৱাহাটী, ২৬ ডিচেম্বৰঃ** ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সংস্কৃত পণ্ডিত, শিক্ষাবিদ, সু-সাহিত্যিক, সুবক্তা, শ্ৰীমদ্ ভাগৱতৰ ভাষ্যকাৰ তিলক চন্দ্ৰ শৰ্মা শাস্ত্ৰী শাৰীৰিকভাৱে অসুস্থ হৈ পৰাত ৰাজ্যখনৰ ভিন ভিন দল-সংগঠন গভীৰভাৱে উদ্বিগ্ন হৈ পৰিছে। কামৰূপ একাডেমীৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৮৬ বৰ্ষত পদাৰ্পণ কৰা শৰ্মা শাস্ত্ৰী অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে আদি কৰি বহু বৰেণ্য ব্যক্তিৰ শিক্ষাগুৰু আছিল। অতি উদাৰ চেতিয়া, শিক্ষা-সাহিত্যৰ মনীষী, সমাজ সংগঠক, অসম সাহিত্য সভাৰ 'কথা সাহিত্য' বঁটা প্ৰাপক শ্ৰীশৰ্মা শাস্ত্ৰীৰ আশু-আৰোগ্য কামনা কৰিছে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন উপাচাৰ্য ডঃ দীপক কুমাৰ শৰ্মা, বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰমেন কলিতা, পদ্মশ্ৰী সন্মান প্ৰাপক ডঃ ৰোমান শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন,অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈ, কাৰ্যকৰী সভাপতি ৰেণু মহন্ত, নিখিল ৰাভা লেখিকা সমাৰোহ সমিতিৰ মুখ্য উপদেষ্টা ডঃ মলিনা দেৱী ৰাভা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কোষাধ্যক্ষ তাৰিণী কান্ত গোস্বামী, মুখপাত্ৰ শৈলেন তালুকদাৰ, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা,বিশিষ্ট গীতিকাৰ -সুৰকাৰ ডিজেন কাকতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ মুখ্য আহ্বায়ক মদন দাস, লেখিকা সংস্থা, অসমৰ বামুণীমৈদাম শাখাৰ সম্পাদক পুতুলী ঠাকুৰীয়া মেধি, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান 'ৰং' আদি দল-সংগঠনে।

# তিতাবৰ ফালেঙীচুকত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, তিতাবৰ, ২৬ ডিচেম্বৰঃ** তিতাবৰ ফালেঙীচুকত যোৱা নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এই ঘটনাৰ পিছতে অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। বিধ্বংসী অগ্নিকাণ্ডত ফালেঙীচুকৰ, ৰেৱ কছাৰী নামৰ লোকজনৰ বাহগৃহটো সম্পূৰ্ণ ৰূপে জুইত জাহ যায় বুলি জানিব পৰা গৈছে। ঘৰৰ পাছফালে থকা এখন জুইশালৰ পৰা জুইৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। নিশা ১০:৩০ মান বজাত ঘৰৰ বোৱাৰীগৰাকীয়ে বাহিৰলৈ ওলাই আহোঁতে পাকঘৰত পোহৰ দেখি চিঞৰ-বাখৰ কৰে। তাৰ কেইটামান মুহূৰ্তৰ পাছতে প্ৰচণ্ড শব্দ কৰি গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ হয় আৰু জুইৰ লেলিহান শিখাই বাহগৃহতো আগুৰি ধৰে। পৰিয়াল আৰু গাঁৱৰ ৰাইজে জুই নুমোৱাবলৈ অপ্ৰাণ চেষ্টা কৰে যদিও বিফল হয়। পাছত তিতাবৰ অগ্নিনিৰ্বাপক বাহিনী আহি তৎপৰতাৰে জুই নুমোৱায়।

# নলবাৰীত নতুন সাহিত্য পৰিষদৰ জিলা সন্মিলন




**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৬ ডিচেম্বৰঃ** নতুন সাহিত্য পৰিষদৰ দশম দ্বি-বাৰ্ষিক নলবাৰী জিলা সন্মিলনখন কালি দিনজোৰা কাৰ্যসূচীৰে নলবাৰী সত্ৰ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। খগেন বৰ্মনে আঁত ধৰা আৰম্ভণি অনুষ্ঠানত পৰিষদৰ পতাকা উত্তোলন কৰে সভাপতি সৰোজিনী মেধিয়ে। স্মৃতি তৰ্পণ কৰে জীতেন হুজুৰীয়ে। দীপালী দেৱী, তৰুলতা বৈশ্য, অনুপমা মজুমদাৰ, লাৱণ্য বৰ্মন, বনশ্ৰী চৌধুৰীয়ে পৰিষদৰ শীৰ্ষগীত পৰিৱেশন কৰে। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা আদৰণি ভাষণ ৰাখে বিশিষ্ট লেখক পৰীক্ষিত বৈশ্যই। উদ্বোধনী ভাষণ ৰাখে কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ নুৰুল ইছলাম শইকীয়াই। ভাষণত তেওঁ প্ৰগতিশীল সাহিত্যৰ আন্দোলনৰ ৪৮ বছৰীয়া ইতিহাস, অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ জয়যাত্ৰা সাৱলীলভাৱে দাঙি ধৰে। সন্মিলনত ৬ টা শাখাৰ দুকুৰি প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক বনশ্ৰী চৌধুৰীয়ে। ৬ গৰাকী সদস্যই প্ৰতিবেদনৰ ওপৰত বক্তব্য আগবঢ়ায়। সন্মিলনে অহা দুবছৰৰ বাবে সভাপতি সৰোজিনী মেধি আৰু সম্পাদক বনশ্ৰী চৌধুৰীৰ নেতৃত্বত এখন ২৯ জনীয়া জিলা কমিটী গঠন কৰে। কোষাধ্যক্ষ খগেন বৰ্মন, সাংগঠনিক সম্পাদক অখিল দেৱ শৰ্মাক লৈ এখন দহজনীয়া কাৰ্যনিৰ্বাহ কমিটীও গঠন কৰা হয়। সন্মিলনত তিনিটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাপতিৰ মন্তব্যত সৰোজিনী মেধিয়ে জিলাখনত আৰু অধিক শাখা গঠনৰ ওপৰত গুৰুত্ব দিয়ে। শলাগৰ শৰাই আগবঢ়ায় তৰুলতা বৈশ্যই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মৰণোত্তৰভাৱে 'অনাতাঁৰ শ্ৰোতা বন্ধু বঁটা' চফ্ৰাইৰ প্ৰয়াত জালালুদ্দিন হালদাৰক প্ৰদান

**ই-সংবাদ, মথুৰাপুৰ, ২৬ ডিচেম্বৰঃ** ধেমাজি জিলাৰ চিলাপথাৰত ২০১০ চনৰ ২৫ ডিচেম্বৰত প্ৰতিষ্ঠা হোৱা পূৰ্বাঞ্চলৰ ভিতৰত অসমৰ প্ৰথমটো অনাতাঁৰ শ্ৰোতাসকলৰ দ্বাৰা গঠিত 'অনাতাঁৰ মৰম পৰিয়াল'ৰ পঞ্চদশ বৰ্ষৰ জয়ন্তী অনুষ্ঠান ধেমাজি চিলাপথাৰত ২৫ ডিচেম্বৰ বুধবাৰে আড়ম্বৰ পূৰ্ণভাৱে অনুষ্ঠিত হৈ যায়। ৰেডিঅ'ৰ শ্ৰোতাসকলৰ দ্বাৰা পৰিচালিত এই অনুষ্ঠানটোত উপস্থিত থাকে বঁটা প্ৰাপক আকাশ বাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰসহ অঞ্চলটোৰ বহু ৰেডিঅ' অনুৰাগী। অনাতাঁৰ মৰম পৰিয়ালে এইবছৰৰ তেওঁলোকৰ 'অনাতাঁৰ শ্ৰোতা বন্ধু বঁটা' নিৰ্বাচিত কৰি মৰণোত্তৰভাৱে প্ৰদান কৰে চৰাইদেউ জিলাৰ চফ্ৰাই নিবাসী ৰেডিঅ' অনুৰাগী প্ৰয়াত জালালুদ্দিন হালদাৰক। প্ৰয়াত হালদাৰৰ হৈ এই বঁটা গ্ৰহণ কৰে তেখেতৰ সহধৰ্মিণী মুছলিমা বেগম আৰু তেওঁৰ কন্যা ৰুণা বেগমে। আনহাতে, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰে এই বছৰৰ এই একেই বঁটা গ্ৰহণ কৰে। বঁটা প্ৰাপ্ত দুয়োৰে সন্মানাৰ্থে মানপত্ৰৰ সৈতে এটা ৰেডিঅ', কিতাপৰ টোপোলা, ফুলাম জাপি, গছ পুলি, চেলেং চাদৰ, ফুলাম গামোচা আদি সংঘই প্ৰদান কৰে। প্ৰয়াত হালদাৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সৈতে কেন্দ্ৰটোৰ জন্মলগ্নৰে পৰা নিয়মীয়া শ্ৰোতা হিচাপে জড়িত হৈ আছিল। তেওঁ অসমীয়া বোলছবি গীতৰ অনুষ্ঠান 'সুৰৰ সাতসৰী' আৰু 'ফোন ইন সুৰৰ সাতসৰী', মনোৰঞ্জনৰ অনুষ্ঠান 'বৰ্ণালী', হিন্দী গীতৰ অনুষ্ঠান 'আপোনাৰ গান', শ্ৰোতাৰ চিঠি পত্ৰৰ অনুষ্ঠান 'ডাক পখিলী', হিন্দী গীতৰ অনুৰোধৰ অনুষ্ঠান 'ৰামধেনু', 'শ্ৰোতা বন্ধুৰ ডায়েৰী', 'বাটে ঘাটে', 'অন্তৰা' আদি বিভিন্ন শিতানৰ সৈতে চিঠি-পত্ৰৰ দ্বাৰা মৃত্যুৰ আগলৈকে নিয়মিতভাৱে যোগাযোগ ৰক্ষা কৰি আহিছিল। সভাত চফ্ৰাই অঞ্চলৰ ইব্ৰাহিম আলীয়ে হালদাৰৰ বিষয়ে বক্তব্য ৰাখে। প্ৰয়াত হালদাৰ আৰু তেওঁৰ কন্যা ৰুণা বেগমে ২০১৯ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সোণালী জয়ন্তী অনুষ্ঠানত শ্ৰোতা অনুৰাগী হিচাপে উপস্থিত আছিল।



শুৱালকুছিত তৃণমূল কংগ্ৰেছৰ এক অনুষ্ঠানত এনেদৰে দেখা গ'ল দুলু আহমেদক

# কামপুৰত দুটা পৃথক দুৰ্ঘটনাত শিশুসহ নিহত ২জন

**ই-সংবাদ, কামপুৰ, ২৬ ডিচেম্বৰঃ** নগাঁও জিলাৰ কামপুৰত পৃথক দুৰ্ঘটনাত শিশুসহ ২জন লোক নিহত হৈছে। যোৱা নিশা অঞ্চলটোৰ কচুৱাৰ বেলতলাত হোৱা এটি পথ দুৰ্ঘটনাত থিতাতে এজন বাইক আৰোহী নিহত হয়। নিহত লোকজন কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত চানখোলা গাঁৱৰ শ্বেখ ফৰিদ( ৪২) বুলি জানিব পৰা গৈছে। এএছ ০২ এপি ৯৫৮২ নম্বৰৰ বাইকেৰে ব্যক্তিজন নিজৰ ঘৰলৈ আহি থকা অৱস্থাত দলংখনৰ মূৰৰ এপ্ৰ'চৰ কিনাৰত থকা মাইল খুটিত খুন্দা মাৰে।ফলত লোকজন খুটিত ওলমি তলমুৰা হৈ খুন্দা লাগি থিতাতে নিহত হয়। ইফালে বাইকখন দলংখনৰ তলৰ দ খাৱৈত পৰে যদিও কোনেও গম নোপোৱাত গোটেই নিশা নিহতৰ মৃতদেহ আৰু বাইকখন পৰি থাকে। পুৱাৰ ভাগত বাইক আৰু মৃতদেহ পথচাৰীয়ে প্ৰত্যক্ষ কৰি খবৰ কৰাত লোকজনক চিনাক্ত কৰা হয়। আনহাতে বুধবাৰে সন্ধিয়াৰ ভাগত কচুৱা বজাৰত এখন ই-ৰিস্কা পথ দুৰ্ঘটনাত পতিত হোৱাৰ ফলত আৰিফুল ইছলাম নামৰ লোকজনৰ ৯বছৰীয়া পুত্ৰ ৰাজিকুল ইছলাম থিতাতে নিহত হয়। ঘটনাটোত শিশুটিৰ পিতৃৰ লগতে আন এজন যাত্ৰী মতিবুৰ ৰহমান (২৩) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়।

# ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ ডিচেম্বৰঃ** "কৰ্মচাৰীসকল দেশৰ মেৰুদণ্ড স্বৰূপ। কৰ্মচাৰীসকলৰ অনবদ্য বৰঙণি অবিহনে এখন দেশ কেতিয়াও উন্নতিৰ শিখৰলৈ আগুৱাই যাব নোৱাৰে।" ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত 'কৰ্ম প্ৰবাহ' স্মৃতিগ্ৰন্থখন উন্মোচন কৰি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। তেওঁ আৰু কয় যে কিছু সংখ্যক কৰ্মচাৰী আছে, যিসকলে দেশখনক তথা সমাজখনক ভালপোৱাৰ যি তাড়না সেই তাড়না তেওঁৰ শৰীৰৰ প্ৰতিটো ৰক্ত কণিকাত লৈ ফুৰে। অধ্যক্ষগৰাকীয়ে কিছুসংখ্যক কৰ্মচাৰীয়ে জীৱনৰ সৌন্দৰ্য অথবা সমাজৰ সৌন্দৰ্যতাক মনৰ মাজত লৈ নিঃস্বাৰ্থৰে যি কৰ্ম কৰি দেশ আৰু সমাজৰ উন্নতিত অৰিহণা যোগাইছে, সেই কৰ্মস্পৃহা সকলো কৰ্মচাৰীৰ মাজত জাগ্ৰত কৰিবলৈ আহ্বান জনোৱাৰ লগতে কৰ্মচাৰীসকলৰ মাজত নিয়মীত প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণৰ বাবেও কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়াসকলক আহ্বান জনায়। কৰ্মচাৰীসকলে চৰকাৰৰ পৰা বিভিন্ন সা-সুবিধা লাভ কৰিবলৈ শক্তিশালীভাৱে দাবী সাব্যস্ত কৰে। ঠিক তেনেদৰে কৰ্মচাৰীসকলক দায়িত্ব, কৰ্তব্য আৰু জবাবদিহিতাৰ ওপৰতো অধিক মনোযোগ দিবলৈ তেওঁ আহ্বান জনায়। কৰ্মৰ জবাবদিহিতা নাথাকিলে দেশৰ চৰকাৰৰ প্ৰগতি সম্ভৱ নহয় বুলিও তেওঁ কয়। ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক জনক দাসে আঁত ধৰা সভাখনত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দীপেন শৰ্মাই কয়- দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীৰ লগত কৰ্মচাৰী পৰিষদ নাই। কৰ্মচাৰী পৰিষদে বিভিন্ন সময়ত উত্থাপন কৰা বিষয়সমূহ চৰকাৰে গুৰুত্ব সহকাৰে ল'ব লাগে। এনপিএছৰ কৰ্মচাৰীসকলক অ'পিএছলৈ নিয়াৰ প্ৰক্ৰিয়াটো গুৰুত্ব সহকাৰে লৈ বিহীত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে তেওঁ চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মনে কয়- চৰকাৰী কৰ্মচাৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাসহকাৰে পালন কৰা উচিত। তেওঁ এনপিএছ ব্যৱস্থা বাতিল কৰি অ'পিএছ ব্যৱস্থা বাহাল ৰাখিবলৈ চৰকাৰক আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি চিকিৎসা, সাহিত্য, সংস্কৃতি, শিক্ষা, সমাজ তথা সংবাদ জগতলৈ বিশেষ বৰঙণি আগবঢ়োৱা প্ৰায় ১৭গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সেইসকলৰ ভিতৰত ক্ৰমে বিশিষ্ট হৃদৰোগ চিকিৎসক ডাঃ হেম চন্দ্ৰ কলিতা, বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী ইন্দ্ৰ গগৈ, বৰহাট ভবানী প্ৰসাদ বৰুৱা সোঁৱৰণী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপক ড০ বাৰীন্দ্ৰ দাস, অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পদক তথা জ্যেষ্ঠ সাংবাদিক ৰাতুল গোহাঁই, বিশিষ্ট ক্ৰীড়া সংগঠক জয়ন্ত বিজয় শৰ্মা, শ্বহীদ গহীন চেতিয়া মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুণা কান্ত গগৈ, সমাজ কল্যাণ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোবিন বাহাদুৰ ছেত্ৰী, ডিব্ৰুগড় জিলা বিদ্যালয়সমূহৰ উপ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উচ্চবৰ্গ সহায়ক আখতাৰ ৰহমান, দঙ্গৰচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গুণীন্দ্ৰ গোহাঁই, ডিব্ৰুগড় কোষাগাৰ প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ অধীক্ষক প্ৰসন্ন দাস, অসম চিকিৎসা মহাবিদ্যালয়ৰ মুখ্য সহায়ক জিতুল গগৈ, ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক দিগন্ত কুমাৰ গগৈ, ডিব্ৰুগড় জল সম্পদ বিভাগৰ মুখ্য সহায়ক অৰূপ ভট্টাচাৰ্য, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক অপূৰ্ব শৰ্মা, ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ কনিষ্ঠ সহায়ক নিলোৎপল বুঢ়াগোহাঁই আৰু সহকাৰী কৰ আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক দ্বীপেন দাস। ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি পলাশ কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি প্ৰসন্ন বৰুৱা, ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ গগৈকে ধৰি ভালেসংখ্যক প্ৰতিনিধি বৰ্গ আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# কামৰূপ জিলাৰ দদৰাত অসম সাহিত্য সভাৰ ২০২৩-২০২৫বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সপ্তমখন পূৰ্ণাংগ সভা

**ই-সংবাদ, শুৱালকুছি, ২৬ ডিচেম্বৰঃ** অসম সাহিত্য সভাৰ ২০২৩-২০২৫ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সপ্তমখন পূৰ্ণাংগ সভা অহা ২৮ আৰু ২৯ ডিচেম্বৰত কামৰূপ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু দদৰা আঞ্চলিক শাখা সাহিত্য সভাৰ আতিথ্যত দদৰাস্থিত ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২৮ ডিচেম্বৰত পুৱা ৮.৩০ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড০ নৃপেন তালুকদাৰে, পুৱা ৯ বজাত স্মৃতি তৰ্পণ কৰিব দদৰা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি কমলাকান্ত দাসে। পুৱা ১০.৩০ বজাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় 'আকাশ' অনুষ্ঠান উদ্বোধন কৰিব হাজো সুৰেণ দাস মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপক ড০ ৰঞ্জু ঠাকুৰীয়াই আৰু আকাশ অনুষ্ঠানটি সঞ্চালনা কৰিব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বন্তি বৰাই। বিয়লি ৪ বজাত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী অনুষ্ঠান 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰিব কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই, অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈ, মুখ্য অতিথি হিচাপে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মা, সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱী আৰু গ্ৰন্থ উন্মোচক হিচাপে এমন্ট্ৰন, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ উপস্থিত থাকিব। ২৯ ডিচেম্বৰৰ পুৱা ৮ বজাত কাৰ্যনিৰ্বাহকৰ পঞ্জীয়ন, পুৱা ১০ বজাত কাৰ্যনিৰ্বাহক সভা আৰম্ভ , পুৱা ১০.১০ বজাত বিশিষ্ট শিল্পী মহেন্দ্ৰ হাজৰিকাৰ দ্বাৰা ৰচিত এই অঞ্চলৰ ঐতিহ্য সম্বলিত গীত পৰিৱেশন, পুৱা ১০.৩০ পৰা অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক পদত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভোট গণনা কৰাৰ লগতে ফলাফল ঘোষণা কৰা হ'ব বুলি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই জানিবলৈ দিছে। এই সভাক লৈ সাহিত্য সভাত দেখা গৈছে ব্যাপক উছাহ।

# অভিনয়ৰ 'মহাৰাজ' যতীন বৰাৰ অব্যাহত আছে চমক



**প্ৰত্যয় প্ৰাচুৰ্য**

ছটা বছৰ তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰা দূৰৈত আছিল। সেই সময়খিনি আছিল তেওঁ অভিনয়ৰ লগতে ব্যক্তিগত জীৱনৰো এক অগ্নিপৰীক্ষা সদৃশ সময়। ছবিজগতত উত্থানৰ সমান্তৰালভাৱে বিফলতাৰো মুখ দেখিবলগীয়া হৈছিল তেওঁ। অইন দহজনৰ দৰে তেঁৱো ৰাজনৈতিক স্থিতি গ্ৰহণ কৰিছিল আৰু সমালোচিত হৈছিল। আনকি ৰাঘৱৰ মুক্তিৰ সময়ত তেওঁ প্ৰৱল ৰোষৰ সমুখিন হৈছিল। এনেকুৱা এক পৰিবেশ সৃষ্টি হৈছিল যেন অসমীয়া মানুহে আৰু যতীন বৰাক কোনোদিনেই মৰম নিদিব, আকোৱালী নলব'। সামাজিক মাধ্যমতো বাৰুকৈয়ে সমালোচিত হৈছিল যতীন বৰা। কিন্তু অভিনয়ৰ বাবেই যাৰ জন্ম, তেওঁ জানো তাৰ পৰা আঁতৰি থাকিব পাৰিব? অসমৰ ৰাইজে তেওঁক এজন অভিনেতা হিচাপেই বিচাৰে। সেই কথাটোকে সৰোগত কৰি পুনৰবাৰ ৰাইজৰ মাজলৈ ওলাল যতীন বৰা। এইবাৰ ইতিহাস থিয়েটাৰৰ জৰিয়তে। চলিত নাট্যবৰ্ষত ইতিহাস থিয়েটাৰৰ নায়ক হিচাপে অভিনয় কৰি থকা যতীন বৰাক কাষত পাই ৰাইজখনে যেন দুগুন উছাহেৰে আকোৱালী লৈছে তেওঁক। নাই কোনো অভিমান, নাই কোনো ৰোষ। যলৈকে গৈছে তাতেই জনতাৰ ঢৌ। দক্ষ নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ তিনিখন নাটক ক্ৰমে মহাৰাজ, জুয়ে পোৰা মানুহ আৰু মহাবীৰ লাচিতৰ জৰিয়তে অসমবাসীৰ মন জয় কৰিবলৈ সক্ষম হ''ল যতীন বৰাই। বিশেষকৈ মহাৰাজ নাটকখনে একোটা স্থানত দুটা তিনিটাকৈ দৰ্শনী কৰিবলৈ বাধ্য হৈছে। ৰাইজ ওলাই আহিছে হিলদল ভাঙি। উদ্দেশ্য হৈছে যতীন বৰাক ওচৰৰ পৰা চোৱা। মঞ্চত যতীন বৰাৰ অভিনয় চোৱা। নাটক শেষ হোৱাৰ পাছত ভিৰ কৰিছেহি গ্ৰীণ ৰূমত। যতীন বৰাৰ সৈতে এটা চেলফী লবলৈ হেতাওপৰা লগাইছে ৰাইজে। প্ৰযোজকে বিনিয়োগকৃত ধন ঘূৰাই পোৱাৰ সমান্তৰালকৈ যতীন বৰাই ঘূৰাই পাইছে তেওঁৰ বাবে ৰাইজৰ বুকুত সোমাই থকা গোট মৰা মৰম। ৰাজনীতিত খোজ দিয়া বাবে ৰাইজে কৰা অভিমান তেওঁ সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি অভিনয়ৰ মাজলৈ সক্ৰিয়তাৰে আহি ভাঙিবলৈ সক্ষম হৈছে। ৰাইজে যে যতীন বৰাক নয়নৰ মনি কৰি ৰাখে, সেই কথা পুনৰ প্ৰমানিত হৈছে ইতিহাস থিয়েটাৰৰ মঞ্চত। কোনো এটা পেণ্ডেলতেই বিফলতাৰ মুখামুখি হবলগীয়া হোৱা নাই ইতিহাস থিয়েটাৰ। হাউচফুল পেণ্ডেলেৰে মঞ্চস্থ কৰিছে মহাৰাজ নাটকখন। সঁচাকৈয়ে অভিনয়ৰ মহাৰাজ যতীন বৰা। সেই মহাৰাজে এইবাৰ মহাৰাজ হৈ ৰাইজৰ বুকুত ঘৰ সাজিছে।

# ৫, ৬ আৰু ৭ জানুৱাৰীত বিশ্বনাথ চাৰিআলিত বৰ্ণম ৰাষ্ট্ৰীয় নাট সমাৰোহ

■ **প্ৰাঞ্জল এ. শৰ্মা**

> ৫ জানুৱাৰীত মঞ্চস্থ হ'ব পশ্চিমবংগৰ বাংলা নাটক 'স্বীকাৰোক্তি', এৰিয়েল ডফ্টমেনৰ এটি গল্পৰ আধাৰত ৰচিত শেখৰ চমাদাৰৰ ৰচনাৰ নাটখনৰ পৰিচালনা হৰিপ্ৰসাদৰ

অসমৰ সন্মানীয় নাট্যগোষ্ঠী বৰ্ণমে অহা ৫, ৬ আৰু ৭ জানুৱাৰীত বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত আয়োজন কৰিবলৈ লৈছে অষ্টম বৰ্ণম মৃণালী শৰ্মা ৰাষ্ট্ৰীয় নাট সমাৰোহ। বৰ্ণমৰ সভাপতি অমৰজ্যোতি বৰুৱাই জনাইছে যে তিনিটা দিনত মুঠ আঠটা নাট্যদলে নাট পৰিৱেশন কৰিব।

৫ জানুৱাৰীত মঞ্চস্থ হ'ব পশ্চিমবংগৰ বাংলা নাটক 'স্বীকাৰোক্তি', এৰিয়েল ডফ্টমেনৰ এটি গল্পৰ আধাৰত শেখৰ চমাদাৰৰ ৰচনাৰে হৰিপ্ৰসাদ দাসৰ পৰিচালনা। দ্বিতীয়খন নাটক প্ৰখ্যাত অসমীয়া সাহিত্য শিল্পী চৈয়দ আব্দুল মালিকৰ গল্পৰ আধাৰত কুশল ডেকাৰ ৰচনা-পৰিচালনাৰে বৰ্ণমৰ নিবেদন 'কাঠফুলা'।

৬ জানুৱাৰীত মঞ্চস্থ হ'ব গুৱাহাটীৰ ভয়চ থিয়েটাৰৰ নিবেদন নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ ৰচনা আৰু



মাণিক ৰয়ৰ পৰিচালনাৰে 'মধুমক্ষিকা'। দ্বিতীয়খন নাটক পশ্চিমবংগৰ প্ৰফুল্ল ৰয় ৰচিত আৰু বিশ্বজিৎ বিশ্বাস পৰিচালিত 'সাতঘৰীয়া'। ৭ জানুৱাৰীত পুনেৰ মাৰাঠী নাটক সতীশ কুমাৰৰ ৰচনা-পৰিচালনাৰে 'খোল দো'। দ্বিতীয়খন নাটক প্ৰভাত গোস্বামীৰ ৰচনা আৰু নিৰ্মল দাসৰ পৰিচালনাৰে বৰপেটাৰ মুখাৰ নিবেদন 'এটা নিশাৰ সংগী'। তৃতীয়খন নাটক ধেমাজিৰ 'বিদ্যা দ্য লিভিং' থিয়েটাৰৰ নিবেদন প্ৰাঞ্জল বুঢ়াগোহাঁইৰ ৰচনা-পৰিচালনাৰে 'আইচু'। ৬ জানুৱাৰীৰ তৃতীয়খন নাটক উৰিষ্যাৰ নায়িকা নাট্য চেতনাৰ নিবেদন সুবোধ পাটনায়কৰ ৰচনা আৰু সুজাতা প্ৰিয়ম্বদাৰ পৰিচালনাৰে 'ৰেৱতী এৱতী আউ টিৱতী'। বৰ্ণমৰ সঞ্চালক কুশল ডেকাই জনাইছে যে, ৬ জানুৱাৰীৰ দিনৰ ১১ বজাত এই সমাৰোহৰ লগত সংগতি ৰাখি বিশ্বনাথ কলেজ অব এডুকেশ্যনৰ সহযোগত এখনি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিষয়ঃ 'অসমীয়া নাট্য পৰিক্ৰমাৰ পৰিৱৰ্তিত ধাৰা আৰু পংকজজ্যোতি ভূঞাৰ নাটক'।

এই সভাত অংশগ্ৰহণ কৰিব জামুগুৰি টি. এইচ. বি. কলেজৰ জ্যেষ্ঠ অধ্যাপিকা, বিশিষ্ট অভিনেত্ৰী নিবেদিতা ভৰালী, বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰবক্তা বলীন ভূঞা, বিশিষ্ট নাট পৰিচালক অসীম কুমাৰ নাথ আৰু নাট সমালোচক, নিবন্ধকাৰ, নাট্যকাৰ হিল্লোল কুমাৰ পাঠকে।

# কেৰালাৰ ৰাষ্ট্ৰীয় নাট সমাৰোহলৈ হিল্লোল কুমাৰ পাঠকৰ 'চিকাৰ'

কেৰালাৰ ৰাষ্ট্ৰীয় নাট সমাৰোহলৈ আমন্ত্ৰিত হোৱা বিশিষ্ট নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ ৰচিত নাটক 'চিকাৰ, দ্য ফৰেজ' মঞ্চস্থ হ'ব অহা ২৯ ডিচেম্বৰত। ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীৰদ্বাৰা প্ৰযোজিত এই নাটকৰ পৰিচালনা বিশিষ্ট নাট্যশিল্পী সীমান্ত ফুকনৰ। এই সমাৰোহৰ অংশগ্ৰহণেৰে চিকাৰ, দ্য ফৰেজ নাটকখনে আগন্তুক বহুকেইখন নাট্য মহোৎসৱলৈ আগবাঢ়িব। এখন অৰণ্য, এজাক বগলী, এজন চিকাৰী আৰু এজনী বিদেশী চৰাইৰ চৰিত্ৰ অংকনেৰে সমসাময়িক সামাজিক-ৰাজনৈতিক চিত্ৰ এখন নাট্যকাৰে প্ৰতিভাত কৰিছে। অতি সক্ৰিয় মননশীলতাৰে মানুহ প্ৰকৃতিৰ দ্বন্দ্ব আৰু অস্তিত্বৰ আশাবাদ প্ৰতিস্থা কৰিছে নাট্যকাৰ হিল্লোল কুমাৰ পাঠকে। সীমান্ত ফুকনৰ নান্দনিক পৰিচালনাৰে নাটকখনে সৰ্বভাৰতীয় মহলত অসমীয়া নাটকৰ গৌৰৱ অক্ষুন্ন ৰাখিব। ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

## মেলবৰ্ণ টেষ্টত সন্তোষজনক স্থিতিত কেংগাৰু বাহিনী, ৬ উইকেট হেৰুৱাই সংগ্ৰহ ৩১১ ৰান

**মেলবৰ্ণ, ২৬ ডিচেম্বৰঃ** মেলবৰ্ণত অনুষ্ঠিত হোৱা যোৱা দুখন টেষ্টত জয়লাভ কৰিছে টিম ইণ্ডিয়াই। এইবাৰ জয়ী হ'লে ই কেৱল জয়ৰ হেট্ৰিকেই নহয়, বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ দিশতো এখোজ আগুৱাই যাব। এই টেষ্টখনত প্ৰথম দিনটোৰ শেষত ৬ উইকেটত অষ্ট্ৰেলিয়াই সংগ্ৰহ কৰিছে ৩১১ ৰান। ক্ৰিজত আছে ষ্টিভ স্মিথ (৬৮) আৰু পেট কামিন্স (৮)। টছত জয়লাভ কৰি অষ্ট্ৰেলিয়াই প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। বেটিং কৰিবলৈ নামি কেংগেৰু বাহিনীয়ে ভাল আৰম্ভণি কৰে। ছেম কনষ্টেন্সে ভাল আৰম্ভণি কৰাৰ পিছত দলটোক আগবঢ়াই নিয়ে উছমান খোৱাজা আৰু মাৰ্নাছ লাবুছানে। প্ৰথম উইকেটত ৮৯ ৰান সংগ্ৰহ কৰাৰ পিছত দ্বিতীয় উইকেটত ৬৫ ৰান সংগ্ৰহ কৰে। সেইসময়ত ভাৰত যথেষ্ট বেকফুটত আছিল। যশপ্ৰীত বুমৰা তেনেতে ত্ৰাণকৰ্তা হৈ পৰে। তেওঁ ৫৭ ৰান কৰা খোৱাজাক বিদায় দিয়ে। বুমৰাহে পেভিলিয়নৰ মুখ দেখুৱাই ট্ৰেভিছ হেডক। ভাল আৰম্ভণিৰ পিছতো কেৰীয়ে ৩১ ৰানত আউট হয়। এটাৰ পিছত এটা উইকেট খহি পৰে যদিও ষ্টিভ স্মিথে আনটো মূৰৰ পৰা দলটোক ধৰি ৰাখে।প্ৰথম দিনৰ শেষত ভাৰতীয় বলাৰৰ ভিতৰত বুমৰাহ আটাইতকৈ সফল। তেওঁ তিনিটা উইকেট দখল কৰে। আকাশ দীপ, ৱাশ্বিংটন সুন্দৰ আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে।




ষ্টিভ স্মিথৰ অৰ্ধশতক অৰ্জন, মেলবৰ্ণ টেষ্টৰ প্ৰথম দিনা বৃহস্পতিবাৰে

## শীঘ্ৰে সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ ভিন্নজনৰ দাবী

# শিৱসাগৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ২৬ ডিচেম্বৰঃ** শিৱসাগৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়টো শিৱসাগৰ নগৰৰ পৰা ডিমৌলৈ স্থানান্তৰিত কৰাৰ আদেশক লৈ অব্যাহত আছে প্ৰতিবাদ। এই স্থানান্তৰ আদেশক লৈ শিৱসাগৰৰ ক্ৰীড়া মহলৰ লগতে সামাজিক মহলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। চৰকাৰৰ এই আদেশৰ বিৰোধিতা কৰি আজি শিৱসাগৰ ক্ৰীড়া সন্থাৰ উদ্যোগত এক ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিত দিনৰ ১১ বজাৰ পৰা এক বজালৈ ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি ক্ৰীড়া সংগঠক, খেলুৱৈ, প্ৰাক্তন ক্ৰীড়াবিদৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শিৱসাগৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় স্থানান্তৰিত কৰাক লৈ আপত্তি প্ৰদৰ্শন কৰি এই আদেশ বাতিল কৰাৰ দাবী উত্থাপন কৰে। শিৱসাগৰ ক্ৰীড়া সন্থাৰ সভাপতি পোনাৰাম মিলিয়ে অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ এইয়া এক যুক্তিহীন সিধান্ত বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে যি সময়ত প্ৰশাসনিক সুবিধাৰ বাবে চৰকাৰী বিভাগ সমূহ এক স্থানত ৰাখি সেই স্থানৰ পৰা এক সুচল প্ৰশাসনিক ব্যৱস্থা পৰিচালিত হয় তাক সদৰ কোৱা হয়।কিন্তু এই সুচল প্ৰশাসনিক সেৱা বিঘ্নিত কৰিবলৈ কিয় জিলাৰ এক মুখ্য কাৰ্যালয় ডিমৌলৈ স্থানান্তৰিত কৰিব লোৱা হৈছে সেইয়া এক সাঁথৰ বুলি তেওঁ উল্লেখ কৰে।আনহাতে বিষয় সন্দৰ্ভত শিৱসাগৰ ক্ৰীড়া সন্থাৰ সম্পাদক মনোজ ভাগৱতীয়ে তীব্ৰ ক্ষোভ ব্যক্ত কৰে। তেওঁ কয় যে জিলা সদৰৰ পৰা জিলাখনৰ এটা মুখ্য কাৰ্যালয় স্থানান্তৰ কৰিব লোৱাতো অবান্তৰৰ নামান্তৰ। এনে সিদ্ধান্তৰ ফলত একো লাভ নহয়, বৰং জিলাখনৰ ক্ৰীড়াৰ পৰিৱেশ বিঘ্নিত হোৱাৰ লগতে খেলুৱৈ সৃষ্টিত বাধা জন্মিব। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোমে চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে গৰজি উঠিছে। তেওঁ জিলাখনৰ এক গুৰুত্বপূৰ্ণ বিভাগৰ কাৰ্যালয় জিলা সদৰৰ বাহিৰে আন ক'তো থাকিব নোৱাৰে বুলি সকিয়াই দি কয় যে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্থিতি গ্ৰহণ নকৰিলে সদৌ তাই আহোম ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্যসূচী লবলৈ বাধ্য হ'ব বুলি হুংকাৰ দিয়ে। অসম অলিম্পিক সন্থাৰ কাৰ্যকৰী সদস্য শৰৎ হাজৰিকাই অসম চৰকাৰৰ এনে সিধান্তক টোঘলকি সিধান্ত বুলি অভিহিত কৰে। তেওঁ কয় যে জিলাখনৰ বিভিন্ন প্ৰান্তৰ লোক বিভিন্ন কামলৈ আহে। তেওঁলোকে এটা কাম লৈ নাহে। সদৰস্থিত বিভিন্ন চৰকাৰী কাৰ্যালয়ত যাৱতীয় কাম সম্পন্ন কৰে।জিলা আয়ুক্ত কাৰ্যালয়লৈ অহা এজন লোকৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়তো কাম থাকিব পাৰে। তেওঁ সেই একেটা কামৰ বাবে আন এটা দিনৰ লগতে পাই-পইচা খৰচ কৰি ডিমৌলৈ যাব নেকি বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে। এই সিদ্ধান্ত ব্যৱহাৰিক নহয় বুলি হাজৰিকাই মন্তব্য কৰি এই আদেশ শীঘ্ৰে বাতিল কৰাৰ দাবী উত্থাপন কৰে। ধৰ্মঘটত অংশগ্ৰহণ কৰি সাংবাদিক ইনামুল হাজৰিকাই কয় যে, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া ক্ষেত্ৰলৈ শিৱসাগৰৰ উল্লেখযোগ্য অৱদান আছে। এই শিৱসাগৰত থকা জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় স্থানান্তৰ কৰিলে গেলেকী, নাজিৰা, নামতি, দিখৌমুখ আদি অঞ্চলৰ ক্ৰীড়া সংগঠক আৰু খেলুৱৈয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। যদিহে চৰকাৰে কাৰ্যালয় স্থায়ীভাৱে নিৰ্মাণ কৰিব খুজিছে তেন্তে জয়সাগৰত নিৰ্মাণ কৰাত কি অসুবিধা বুলি প্ৰশ্ন কৰি কয় যে বিধায়ক অখিল গগৈ এই ক্ষেত্ৰত নিমাতে থকাটোও আশ্চৰ্যকৰ। উল্লেখযোগ্য যে ডিচেম্বৰ মাহৰ চাৰি তাৰিখে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক প্ৰদীপ তিমুঙে শিৱসাগৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় ডিমৌৰ ৰাইচাই ষ্টেডিয়ামলৈ স্থানান্তৰ কৰাৰ আদেশ দিছিল। যি আদেশৰ বিৰোধিতা কৰি শিৱসাগৰ ক্ৰীড়া সন্থাই যোৱা ১২ ডিচেম্বৰত শিৱসাগৰ জিলা আয়ুক্ত তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈক এক স্মাৰক পত্ৰ প্ৰদান কৰে। কিন্তু বিগত এটা পষেকত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে আজি ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি শিৱসাগৰ জিলা আয়ুক্তৰ জড়িয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। যদি এই আদেশৰ বিৰুদ্ধে চৰকাৰে অনাগত দিনত সিদ্ধান্ত গ্ৰহণ নকৰে তেন্তে শিৱসাগৰ ক্ৰীড়া সন্থাই দীঘলীয়াকৈ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি চৰকাৰক সকীয়াই দিয়ে।

# দলগাঁৱত সমষ্টি পৰ্যায়ৰ খেল মহাৰণত খেলুৱৈৰ হতাশজনক অংশগ্ৰহণ, উদ্বিগ্ন আয়োজক

**ই-সংবাদ, দলগাওঁ, ২৬ ডিচেম্বৰঃ** গাওঁ অঞ্চলৰ পৰা ভাল তথা প্ৰতিভাৱান খেলুৱৈ ওলাই অনাৰ যি মহৎ উদ্দেশ্য লৈ খেলমহাৰণ আৰম্ভ কৰিছিল তাৰ সম্পূৰ্ণ ওলোটা ছবি দেখা গ'ল দলগাওঁ সমষ্টি পৰ্যায়ৰ খেলত। খেল মহাৰণত গাঁও পঞ্চায়ত পৰ্যায়ত যি ধৰণৰ প্ৰচাৰ আৰু খেলুৱৈ সকলক প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তেনে কোনোধৰণ প্ৰচাৰ বা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা দেখা নগ'ল দলগাঁৱত যাৰ ফলশ্ৰুতিত খেল মহাৰণৰ উদ্দেশ্য সম্পূৰ্ণ বিফলতাৰ দিশে গতি কৰা পৰিলক্ষিত হৈছে সমষ্টি পৰ্যায়ৰ খেল সমূহত। বিশেষকৈ কাবাডী আৰু ফুটবলত খেলুৱৈ সকলৰ অংশগ্ৰহণ একেবাৰে সেৰেঙা। যোৱাবাৰৰ তুলনাত এইবাৰৰ খেল মহাৰণ খেলুৱৈৰ অংশগ্ৰহণ সম্পূৰ্ণ ওলোটা। পঞ্চায়ত পৰ্যায়ত বাছনি হোৱা শিক্ষাৰ্থী তথা খেলুৱৈ সকলক কোনো প্ৰশিক্ষণ নিদিয়া বাবে সমষ্টি পৰ্যায়ৰ খেলত খেলুৱৈ সকলে হতাশজনক ফলাফল প্ৰদৰ্শন কৰা বুলি অভিযোগ উঠিছে। আনহাতে, পঞ্চায়ত পৰ্যায়ত খেল পৰিচালনা কৰা সমিতি সমূহে বাছনি হোৱা খেলুৱৈৰ লগত যোগাযোগ নৰখা আৰু সমষ্টি পৰ্যায়ৰ খেলত অংশগ্ৰহণৰ সময় তথা সঠিক তথ্য যোগান ধৰাত ব্যৰ্থ হোৱাৰ বাবে বহু খেলুৱৈ সমষ্টি পৰ্যায়ৰ খেলত অংশ লোৱাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি